*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১৮ সংখ্যা, ১৭ বহাগ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 18 * Date Of Publication - 1 May 2022 Rs.10.00/-

## ৰাজ্যৰ বজাৰত অভাৱনীয়ভাৱে দাম বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা-ৰাজ্যৰ বজাৰত দাম বৃদ্ধিৰ জুইত দগ্ধ সৰ্বসাধাৰণ খাটিখোৱা জনতাই নাভিশ্বাস কাঢ়ি বলগীয়া হৈছে। ইণ্ডোনেছিয়াই পাম অইলৰ ৰপ্তানিত নিষেধাজ্ঞা আৰোপৰ সিদ্ধান্ত কাৰ্যকৰী কৰাৰ লগে লগে পূৰ্বে আশংকা কৰাৰ দৰেই অভাৱনীয়ভাৱে মিঠাতেলৰ দাম বৃদ্ধি পাইছে।প্ৰতিটো কোম্পানীয়ে আকাশলংঘী হাৰত হঠাতে বৃদ্ধি কৰিছে মিঠাতেলৰ দৰ। ৰাজ্যৰ বজাৰত এক লিটাৰ মিঠাতেলৰ দাম বাঢ়িছে ৬ৰ পৰা ৩৫ টকা পৰ্যন্ত। মিঠাতেলৰ সমান্তৰাল ভাৱে ৰিফাইন, ছয়া তেল, ৰাইজ ব্ৰেন, পাম তেল আদি ভোজ্য তেলসমূহৰো দাম বৃদ্ধি হৈছে। সৰ্বাধিক দাম বৃদ্ধি হোৱা মিঠাতেলবিধ হৈছে ইঞ্জিন। ভাৰতত ভোজ্য তেলৰ চাহিদাৰ ৬০ শতাংশই আমদানি কৰিবলগীয়া হয়। ইয়াৰ ভিতৰত ইণ্ডোনেছিয়াৰ পৰা দেশে আটাইতকৈ বেছি পৰিমাণৰ পাম অইল আমদানি কৰে। কিন্তু ইণ্ডোনেছিয়াই পূৰ্বে কৰা ঘোষণা কালিৰে পৰা কাৰ্যকৰী কৰাৰ লগে লগে সমগ্ৰ দেশৰ ভোজ্য তেলৰ বজাৰত বিৰূপ প্ৰভাৱ পৰিছে। পাম আৰু ছয়া তেলৰ দাম নজিৰবিহীনভাৱে বৃদ্ধি পোৱাৰ সমান্তৰালকৈ ইয়াৰ বিকল্প হিচাপে ব্যৱহাৰ হোৱালৈ চাই কোম্পানীসমূহে সৰিয়হ উৎপাদন হোৱা বতৰতো আকাশলংঘী হাৰত বঢ়াইছে মিঠাতেলৰ দাম। অকল মিঠাতেল বা ভোজ্য তেলেই নহয়, ইণ্ডোনেছিয়াই পাম অইল ভাৰতলৈ ৰপ্তানি কৰাৰ নিষেধাজ্ঞাৰ সিদ্ধান্ত ঘোষণা কৰাৰ লগে লগে বৃদ্ধি পাইছে ছেম্পু, চাবোন, বিস্কুট, কেক, প্ৰসাধন সামগ্ৰী, প্ৰিণ্টিং ইংক আদিৰো দাম। কিয়নো এনেধৰণৰ সামগ্ৰীসমূহ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কেঁচামাল হিচাপে ব্যৱহৃত হয় পাম অইল। ব্ৰিটেনিয়া, বিছফাম, আইটিচি আদি বিস্কুট প্ৰস্তুতকৰ্তা কোম্পানীসমূহে প্ৰতি পেকেট বিস্কুটৰ সৰ্বোচ্চ খুচুৰা বিক্ৰী দাম প্ৰায় ১৫ শতাংশলৈ বঢ়াইছে।

## উদ্বোধন কৰা ২৪ ঘণ্টা নৌহওঁতেই কৰ্কট চিকিৎসা সেৱা আৰম্ভ



ৰঙিলী বাৰ্ত্তাসেৱা-নতুনকৈ মুকলি হোৱা কেঞ্চাৰ চিকিৎসালয়সমূহ উদ্বোধন কৰা ২৪ ঘণ্টা নৌহওঁতেই পুৱা ৯ বজাৰ পৰা বহিঃবিভাগৰ সেৱাৰ লগতে কেম'থেৰাপী, নিয়মীয়া চেকআপ, মেম'গ্ৰাফী আৰম্ভ হয়। প্ৰতিটো কেন্দ্ৰতে সংশ্লিষ্ট জিলা উপায়ুক্তৰ উপস্থিতিত চিকিৎসালয়ৰ বহিঃবিভাগৰ সেৱাৰ বাবে কৰ্কট ৰোগীৰ নাম পঞ্জীয়ন আদি আৰম্ভ কৰা হয়। গুৱাহাটী বা ৰাজ্যৰ বাহিৰলৈ যাব লগা নোহোৱাকৈ নিজ নিজ জিলাতে অত্যাধুনিক, বিশ্বমানৰ চিকিৎসা যন্ত্ৰৰ লগতে কৰ্কট ৰোগ চিকিৎসাৰ সু-প্ৰশিক্ষণপ্ৰাপ্ত তথা অভিজ্ঞ চিকিৎসক, নাৰ্ছৰ পৰা এই সেৱা লাভ কৰিবলৈ পাই প্ৰথম দিনাই চিকিৎসালয়কেইখনলৈ আগমন ঘটা ৰোগীৰ উপৰি সহায়কসকলেও উপায়ুক্ত তথা চিকিৎসালয় কৰ্তৃপক্ষৰ ওচৰত সন্তুষ্টি প্ৰকাশ কৰে।

## সম্পাদকীয়ঃ

## অসমৰ সপোন বাস্তৱ হ'বনে?

২৮ এপ্ৰিল অসমবাসীৰ বাবে এটি ঐতিহাসিক দিন হিচাপে সাক্ষী হৈ ৰ'ব। এই দিনটোত অসমবাসীয়ে লাভ কৰিলে ৭ খনকে অত্যাধুনিক কৰ্কট হস্পিতাল আৰু ৭ খনৰ আধাৰশিলা স্থাপন ।এটা সময় আছিল যিখন অসমত এনে কিছুমান কথা সপোনৰ দৰে আছিল তেনে এখন ৰাজ্যত এনে কথা যে সম্ভৱ সেয়া দেখুৱাই দিলে শাসিত চৰকাৰখনে। ডিব্ৰুগড়ৰ খনিকৰত আয়োজিত প্ৰায় তিনি লক্ষাধিক জনতাক ৰাজ্যপাল জগদীশ মূখী আৰু আমাৰ মূখ্যমন্ত্ৰী জনৰ উপস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সভাৰ আৰম্ভণিতে সকলোকে ৰঙালী বিহুৰ শুভেচ্ছা জনাই ডক্টৰ ভূপেন হাজৰিকাৰ গীতেৰে সকলোকে সম্বোধন কৰি কয়

"ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ
ই আয়ুস ৰেখা !
গণ জীৱনৰ ই সাহ"

মই সদায়ে আপোনালোকৰ সেৱাত নিমগ্ন হৈ থাকিব বিচাৰো সেয়ে বাৰে বাৰে আহিবলৈ ব্যাকুল হৈ থাকো ।অসমে এতিয়া বিকাশ আৰু প্ৰগতিৰ বাবে মাৰ বান্ধি থিয় দিছে বুলিও তেখেতে কৈছে। সচাঁকৈয়ে এতিয়া অসমবাসীয়ে বিকাশ বিচাৰিছে। বিকাশ সম্ভৱৰ হয় শিক্ষাৰ জড়িয়তে। জানিবলৈ পাই সূখী হৈছো যে অসমৰ শিক্ষা আৰু চিকিৎসাৰ ক্ষেত্ৰত ভালেখিনি পদক্ষেপ হাতত লৈছে শাসিত চৰকাৰখনে ।তাৰোপৰি কাৰ্বি আংলংৰ সশস্ত্ৰ বিদ্ৰোহী সংগঠনৰ লগত কৰা শান্তি চুক্তিয়ে পৰৱৰ্তী সময়ত এক সুন্দৰ পৰিবেশ কঢ়িয়াই আনিব বুলি কাৰ্বি আংলংবাসী আশাবাদী। তাৰোপৰি কৃষিখণ্ড আৰু পশুধন খণ্ডৰ উন্নতি তথা যুব সবলীকৰণৰ যি মানস কৰি প্ৰধানমন্ত্ৰী গৰাকী অসমলৈ আহিছিল তেওঁৰ যাতে উদ্দেশ্য সফল হওক আৰু অসমে লাভ কৰক উন্নয়নৰ এক নতুন যাত্ৰা। এইখিনিতে শলাগ নলৈ নোৱাৰিলো ৰুগ্ন দেহাৰেই অসমবাসীক এই উপহাৰ দিবলৈ অহা ৰতন টাটাক। যেনেতেনে খোজ কাঢ়িব পৰা মানুহজনে অসমবাসীক কৈ গল "যদিও মই হিন্দী, অসমীয়া নাজানো। মই যি কম এয়া মোৰ হৃদয়ৰ ভাষা"। শেষত তেখেতৰ দীৰ্ঘায়ূ কামনা কৰিলোঁ।

## ভাৰতত নতুনকৈ ৩,৬৮৮ জন লোক কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা ২৪ ঘণ্টাত ৩,৬৮৮ জনলোক কৰ'নাত নতুনকৈ আক্ৰান্ত হৈছে। আৰু যোৱা ২৪ ঘণ্টাত কৰ'নাত আক্ৰান্ত হৈ ৫০ জন লোকৰ মৃত্যু হৈছে । কৰ'নাত আক্ৰান্ত হৈ ভাৰতত মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫, ২৩, ৮০৩ জনলৈ বৃদ্ধি হৈছে।ভাৰতত বৰ্তমান ১৮, ৬৮৪ টা সক্ৰিয় ঘটনা আছে। আনহাতে কৰ'না সংক্ৰমণৰ পৰা যোৱা ২৪ ঘণ্টাত ২, ৭৫৫জনলোক সুস্থ হৈ উঠিছে।

# মই মোৰ অন্তিম বছৰবোৰ স্বাস্থ্যৰ বাবে উৎসৰ্গিত কৰিছো: ৰতন টাটা




ৰঙিলী বাৰ্ত্তাসেৱা- অসমত কৰ্কট ৰোগচিকিৎসালয় উদ্বোধনত ৰতন টাটাই কয়, “মই মোৰ অন্তিম বছৰবোৰ স্বাস্থ্যৰ বাবে উৎসৰ্গা কৰিছো আৰু অসমক স্বাস্থ্য খণ্ডৰ সকলোৰে পৰিচিত আৰু স্বীকৃত ৰাজ্য হিচাপে গঢ়িম।” এই বছৰৰ আৰম্ভণিতে, ৮৪ বছৰীয়া উদ্যোগপতিগৰাকীক অসমৰ সৰ্বোচ্চ অসামৰিক বঁটা ‘অসম বৈভৱ’ প্ৰদান কৰা হৈছিল। অসমত সাতখন অত্যাধুনিক কৰ্কট চিকিৎসালয় উদ্বোধন আৰু নতুনকৈ আন সাতখন, কৰ্কট চিকিৎসালয়ৰ আধাৰশিলা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আনুষ্ঠানিকভাৱে স্থাপন কৰি উদ্যোগপতি তথা সমাজসেৱক ৰতন টাটাই কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ডিব্ৰুগড়ত বিশাল জনসভাৰ মঞ্চত প্ৰধানমন্ত্ৰী মোদীক সমুখত ৰাখি টাটা গ্ৰুপৰ অধ্যক্ষ ৰতন টাটাই কয়- অসমৰ ইতিহাসত আজিৰ দিনটো এটা অতি গুৰুত্বপূৰ্ণ দিন। এইটো এটা এনে দিন, অসমৰ স্বাস্থ্য যতনৰ মান আৰু কৰ্কট চিকিৎসাৰ মান বৰ্ধিত হ’ল। অসমৰ মুখ্যমন্ত্ৰী আৰু আমাৰ সন্মানীয় প্ৰধানমন্ত্ৰীৰ প্ৰচেষ্টা অবিহনে এয়া কেতিয়াও সম্ভৱ হৈ নুঠিলহেঁতেন। তদুপৰি উদ্যোগপতি টাটাই কয় যে এইগৰাকী প্ৰধানমন্ত্ৰী আৰু তেওঁৰ চৰকাৰে অনেক কৃতিত্ব লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে টাটা গ্ৰুপৰ অধ্যক্ষ ৰতন টাটাই ভাষণৰ ইতিপূৰ্বেই টাটা ট্ৰাষ্টৰ মুখপাত্ৰই প্ৰকাশ কৰিছে যে এনেধৰণৰ তিনি কৰ্কট চিকিৎসা সেৱা সুবিধা সম্পূৰ্ণ হোৱাৰ দিশত আগবাঢ়িছে। চলিত বছৰৰ শেষৰ ফালে ইয়াক মুকলি কৰা হ’ব। তদুপৰি মুখপাত্ৰগৰাকীয়ে কয় যে টাটা ট্ৰাষ্টৰ কৰ্কট নিয়ন্ত্ৰণ আৰ্হিৰ অধীনৰ বৃহত্তম নেটৱৰ্কত ১৭ বিধ চিকিৎসা সুবিধা আছে। ইয়াৰ জৰিয়তে আমি অসমৰে নহয়, চুবুৰীয়া ৰাজ্যসমূহৰ পৰা অহা ৫০ হাজাৰতকৈ অধিক লোকক বাৰ্ষিক চিকিৎসা আগবঢ়াম।

# ৰবীন্দ্ৰ ভৱনত এছইউচিআইৰ জনসভা



ৰঙিলী বাৰ্ত্তাসেৱা- এছ ইউ চি আই (কমিউনিষ্ট) দলৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দিনৰ ১২ বজাত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন প্ৰেক্ষাগৃহত এক জনসভা অনুষ্ঠিত হয়। দলৰ অসম ৰাজ্যিক কমিটীৰ সম্পাদক তথা কেন্দ্ৰীয় কমিটীৰ সদস্য কমৰেড চন্দ্ৰলেখা দাসৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়।সভাত মূল্যবৃদ্ধিৰ বিৰুদ্ধে, ৰামনৱমীৰ শোভাযাত্ৰাৰ নামত হিংসা-সন্ত্ৰাস সৃষ্টিৰ লগতে শোভাযাত্ৰাৰ ওপৰত শিল দলিওৱা বুলি সন্দেহৰ ভিত্তিত সংখ্যালঘু মানুহৰ বাসগৃহ বুলডোজাৰেৰে ভাঙি দিয়াৰ মধ্যপ্ৰদেশ চৰকাৰৰ অন্যায়, অগণতান্ত্ৰিক আৰু অমানবিক কাৰ্যৰ বিৰুদ্ধে, অহিন্দীভাষী সকলৰ ওপৰত হিন্দীভাষা জাপি দিয়াৰ বিজেপি চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে তথা ৰাজ্যত মদ আৰু মাদক দ্ৰব্য সম্পূৰ্ণ নিষিদ্ধ কৰাৰ দাবীত চাৰিটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।উক্ত সভাত প্ৰখ্যাত জননেতা, দলৰ পলিটব্যুৰৰ সদস্য কমৰেড অসিত ভট্টাচাৰ্যই ভাষণত কয় যে, তীব্ৰ নিবনুৱা সমস্যা, অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশচুম্বী মূল্যবৃদ্ধি, মাৰাত্মক ধৰণৰ দুৰ্নীতিৰ ফলত সাধাৰণ মানুহৰ আজি জীয়াই থকাটোৱেই অসম্ভৱ হৈ পৰিছে। তেওঁ আৰু কয় যে দেশৰ বৃহৎ বুৰ্জোৱা দলবোৰে লোকসভাত যিদৰে যথাৰ্থ সংসদীয় কাৰ্যকলাপকো চলিব দিয়া নাই তাৰ দ্বাৰা দেশৰ লোকসভাও আজি কাৰ্যত ভেকোভাওনাত পৰিণত হৈছে। জীয়াই থকাৰ বাবে দুখীয়া মেহনতী জনতাৰ সন্মুখত ঐক্যবদ্ধ গণ আন্দোলন গঢ়ি তোলাৰ বাহিৰে আন বিকল্প নাই।

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ কুন্তীদেৱী স্মাৰক বক্তৃতানুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ উদ্যোগত দক্ষিণ গুৱাহাটী জাতীয় বিদ্যালয়ৰ প্ৰাংগণত ‘কুন্তীদেৱী স্মাৰক বক্তৃতা’ শীৰ্ষক এলানি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সংগীত শিল্পী ৰীনা দাসৰ পৰিচালনাত সমবেত গীতেৰে শুভাৰম্ভ কৰা সভাত আদৰণি ভাষণ দিয়ে সাধাৰণ সম্পাদক গকুল বৰুৱাই। সদস্য মিতালী লহকৰে আঁত ধৰা সভাত কটন মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা ড° মিনতি বৰঠাকুৰ, সভাপতি লংকেশ্বৰ ডেকা, উপদেষ্টা সুশীল চন্দ্ৰ বৰঠাকুৰ, হৃষিকেশ চক্ৰৱৰ্তী উপস্থিত থাকে। সভাত মিনতি বৰঠাকুৰে ‘কেন্সাৰ, প্ৰত্যাহ্বান আৰু জীৱনৰ জয়গান’ বিষয়ত বক্তৃতা প্ৰদান কৰি কয়-ল’ৰা ছোৱালীৰ ইচ্ছামতে যিকোনো খাদ্য নখুৱাব। শাক পাচলি বেছিকৈ খুৱাওক। কেন্সাৰ গ্ল’কজৰ ওপৰত জীয়াই থাকে। গ্ল’কজ জাতীয় বস্তু কমাই খাওক।সভাত ধীৰেনপাৰা হাস্পতালৰ অধীক্ষক ডা° অপূৰ্ব কৃষ্ণ শৰ্মাই কেন্সাৰৰ বিভিন্ন দিশ বিশদভাৱে ব্যাখ্যা কৰে।প্ৰশ্নোত্তোৰ শিতানত প্ৰণীতা ভট্টাচাৰ্য, প্ৰদীপ কলিতা, নৱ প্ৰসাদ শৰ্মা, উমাকান্ত কলিতাই কৰা উত্তৰ সমূহ সুন্দৰভাৱে ড° বৰঠাকুৰ আৰু ডা° শৰ্মাই ব্যাখ্যা কৰে। সভাপতি লংকেশ্বৰ ডেকা আৰু উপদেষ্টা সুশীল চন্দ্ৰ বৰঠাকুৰে ভাষণ দিয়ে। প্ৰাক্তন সম্পাদক উমেশ চন্দ্ৰ ভাগৱতীয়ে শলাগৰ শৰাই আগবঢ়ায়।

# মণিপুৰৰ ৰাষ্ট্ৰীয় মুকাভিনয় মহোৎসৱত অসমৰ দলৰ ভূয়সী প্ৰশংসা



ৰঙিলী বাৰ্ত্তাসেৱা- মণিপুৰৰ ইম্ফলত ১৫-১৯ এপ্ৰিলত অনুষ্ঠিত হোৱা দ্বিতীয় ৰাষ্ট্ৰীয় মুকাভিনয় মহোৎসৱত অসমৰ অসম মাইম এণ্ড স্কীট থিয়েটাৰৰ ৯ জনীয়া দলে মুকাভিনয় প্ৰদৰ্শন কৰি মণিপুৰৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ আগশাৰীৰ মুকাভিনয় শিল্পীৰ পৰা প্ৰশংসা বুটলিবলৈ সক্ষম হয় । ৰাজস্থান, বিহাৰ, মিজোৰাম, মহাৰাষ্ট্ৰ, পশ্চিম বংগ, মণিপুৰকে আদি কৰি অংশগ্ৰহণ কৰা মুকাভিনয় মহোৎসৱত অসম মাইম এণ্ড স্কীট থিয়েটাৰৰ তৰফৰ পৰা সংগীত নাটক অকাডেমি ওস্তাদ বিছমিল্লা খাঁ যুৱ বঁটা প্ৰাপক কুলদ্বীপ পাটগিৰীৰ পৰিচালনাৰে সীতা হৰণ, চোৰ পুলিচ, চেলফি শীৰ্ষক মুকাভিনয় প্ৰদৰ্শন কৰে । ৰাষ্ট্ৰীয় বঁটা প্ৰাপক বৰষা শৰ্মা, কঙ্কণ তালুকদাৰ, মনজিত কাকতি, ত্ৰিদীপ ৰয়, মৌচুমী দাস, ভাৰ্গৱী তালুকদাৰ, কৃষাণজ্যোতি বৰুৱা, জোনালী তালুকদাৰ আৰু কুলদ্বীপ পাটগিৰীয়ে অভিনয় কৰা মুকাভিনয়ে ভাৰতৰ মুকাভিনয় ক্ষেত্ৰখনত এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি কাঙলে মাইম থিয়েটাৰৰ পৰিচালক ড° সদানন্দ সিংএ বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানৰ উদ্বোধন কৰে কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী আৰ.কে. ৰঞ্জন সিং আৰু মণিপুৰৰ ৰাজ্যসভাৰ সদস্য ইনিংথো লেইচেম্বা চানাযাওবাই। কাঙলে মাইম থিয়েটাৰৰ উদ্যোগত অনুষ্ঠিত কৰা উক্ত মুকাভিনয় মহোৎসৱৰ সাতদিনীয়া কৰ্মশালাত মুকাভিনয়ৰ লগতে থাংটাৰ প্ৰশিক্ষণ প্ৰদান কৰে।

# ৰমজান মাহ উপলক্ষে খাদ্য সামগ্ৰী বিতৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- পৱিত্ৰ ৰমজান মাহ উপলক্ষে ইফটাৰ কৰিবলৈ অহা ১১ টা মছজিদৰ প্ৰায় এক হাজাৰ দৰিদ্ৰৰ মাজত আজি খাদ্য যোগান ধৰে বিশিষ্ট লেখিকা তথা সমাজসেৱিকা ৰুণা লাইলাই। ৰাণীৰ পৰা আৰম্ভ কৰি নামনি মিৰ্জা, বৰবৰী, মজলি, আলিকাষ, কাঁহিকুছি, আলিবাৰক, বঙৰা, এয়াৰপৰ্টকে ধৰি ভিন্ন স্থানত ইছলামধৰ্মী লোকৰ মাজত খাদ্য যোগান ধৰে সমাজ কৰ্মী ৰুণা লাইলাই। এনে কাৰ্যত অঞ্চলটোৰ স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰে।

১৭ বহাগ, ১৪২৭ চন Rongili Barta, Date of Publication-- 1 May, 2022

# লুৰীণজ্যোতি গগৈৰ নেতৃত্বত চৰকাৰবিৰোধী শ্লোগান



ৰঙিলী বাৰ্ত্তাসেৱা- অসহনীয় মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীৰে আজি অসম জাতীয় পৰিষদ দলে গুৱাহাটীৰ দীঘলীপুখুৰীত অৱস্থান ধৰ্মঘট পালন কৰে। দলৰ সভাপতি লুৰীণজ্যোতি গগৈৰ নেতৃত্বত জাতীয় পৰিষদৰ নেতা-কৰ্মীসকলে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰা বিজেপি চৰকাৰৰ বিৰুদ্ধে শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। জাতীয় পৰিষদৰ নেতৃবৃন্দৰ মতে, সম্প্ৰতি জনসাধাৰণৰ জীৱন দুৰ্বিসহ কৰি তোলা মূল্য নিয়ন্ত্ৰণ কৰাটো সম্ভৱ। একমাত্ৰ চৰকাৰৰ ভুল নীতি আৰু স্বাৰ্থান্বেষী কাম-কাজৰ বাবেই মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা বুলি মত প্ৰকাশ কৰি দলৰ নেতাসকলে কয় যে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে বৰ্তমান চৰকাৰখনৰ শাসনত কৰাৰ নৈতিক অধিকাৰ নাই। সেয়ে দলৰ নেতা-কৰ্মীসকলে প্ৰতিবাদস্থলীত 'মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰক, নহ'লে গাদী এৰি দিয়ক' বুলিও শ্লোগান দিয়ে। উল্লেখযোগ্য যে 'ভাল দিন' সপোন দেখুৱাই ক্ষমতালৈ বিজেপি চৰকাৰৰ দিনত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণলৈ আহিব বুলি আশা কৰা হৈছিল। স্বয়ং বিজেপি দলে পূৰ্বৰ ইউ পি এ চৰকাৰক মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰা বাবে ঘোৰ সমালোচনা কৰি ৰাজপথ উত্তাল কৰি পাখিছিল। কিন্তু ২০১৪ চনত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত চৰকাৰ গঠন হোৱাৰ পিছত কেৱল অত্যাৱশ্যকীয় সামগ্ৰীয়ে নহয়, সকলো ধৰণৰ সামগ্ৰীৰ মূল্য অধিক হাৰত বাঢ়িবলৈ ধৰে। লক্ষ্যণীয় যে নিৰ্বাচনৰ পূৰ্বে কোনো ধৰণৰ সামগ্ৰীৰে মূল্য চৰকাৰে বাঢ়িবলৈ নিদিয়ে। কিন্তু নিৰ্বাচন হৈ যোৱাৰ পিছতেই বস্তুৰ দাম হুৰাহুৰে বাঢ়িবলৈ আৰম্ভ কৰে। উত্তৰ প্ৰদেশসহ পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে চৰকাৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণত ৰাখিছিল যদিও নিৰ্বাচন হৈ যোৱাৰ পিছত হঠাতে অত্যাৱশ্যকীয় সামগ্ৰী আৰু জীৱনদায়িনী দৰৱকে ধৰি সকলো সামগ্ৰীৰে মূল্য অস্বাভাৱিক হাৰত বাঢ়িবলৈ ধৰে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়েকয় যে চৰকাৰে ইচ্ছা কৰিলে যে বস্তুৰ মূল্য নিয়ন্ত্ৰণত ৰাখিব পাৰে, তাৰ উদাহৰণ হ'ল পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে মূল্যবৃদ্ধি হ'বলৈ নিদিয়াটো। পুঁজিপতি বনিয়া গোষ্ঠীসমূহৰ সৈতে থকা গোপন বুজাবুজিৰ বাবেই উক্ত গোষ্ঠীসমূহক বাজাৰ নিয়ন্ত্ৰণ কৰিবলৈ বিজেপিৰ চৰকাৰে সুবিধা কৰি দিয়াৰ পৰিণতি এতিয়া ৰাইজে ভোগ কৰিছে বুলি মত প্ৰকাশ কৰি গগৈয়ে লগতে কয় যে বিদেশৰ পৰা অনা ঋণৰ ধনেৰে কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰে ভোট কিনাৰ কৌশল গ্ৰহণ কৰাৰ পৰিণতি স্বৰূপে আমাৰ দেশতো শ্ৰীলংকাসদৃশ পৰিস্থিতি সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। প্ৰতিবাদকাৰী সকলে হাতে হাতে বিভিন্ন বক্তব্য লিখা প্লে-কাৰ্ড প্ৰদৰ্শন কৰে। জাতীয় পৰিষদে মূল্যবৃদ্ধি প্ৰতিৰোধৰ দাবীক অহা ৩০ এপ্ৰিলৰ দিনা ৰাজ্যজুৰি গণবিক্ষোভ কাৰ্যসূচী পালন কৰিব বুলিও দলৰ নেতাসকলে সদৰি কৰে।

# আজিৰ কবিতাৰ উদ্যোগত বসন্ত উৎসৱ- গ্ৰন্থ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- আজাৰাস্থিত স্কেমিও গ্ল'বেল স্কুলত আজিৰ কবিতা আৰু মেজাংকৰি প্ৰকাশনৰ উদ্যোগত আজি আজিৰ কবিতাৰ কাৰ্যকৰী সভাপতি ড° মনজু হালৈৰ সভাপতিত্বত 'নাহৰৰ সুবাসত কবিতা-গীতে-মাতে জীপাল ব'হাগৰ এদিন' আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয় । বহুবাক সাহিত্য গোষ্ঠী তথা বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য সভাৰ সভাপতি দিলস লক্ষ্মীন্দ্ৰ সিংহাই বন্তিপ্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত পাঁচখনকৈ গ্ৰন্থ উন্মোচন কৰা হয় । চুমী ৰহমানৰ দুখনকৈ গ্ৰন্থ উন্মোচন হয়। কাজিৰঙালৈ অহা বহু পৰ্যটকৰ দৃষ্টিত নপৰা বহু অখ্যাত কাহিনীৰে 'কাজিৰঙাৰ অজানা ৰহস্য' উন্মোচন কৰে কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° মঞ্জু দেৱী পেগু আৰু সাহিত্যিক ৰুণা লাইলাই। উক্ত গ্ৰন্থখন প্ৰকাশ কৰে মেজাংকৰি প্ৰকাশনে। তেওঁৰ তৃতীয়খন গ্ৰন্থ কাব্যসংকলন 'তুলিকা জীৱনৰ' উন্মোচন কৰে শুক্লেশ্বৰ নাথ আৰু ডাং মৃন্ময় কুমাৰ নাথে। লগতে অসমৰ সাহিত্য জগতত খুপনি পুতিবলৈ সক্ষম হোৱা ৩২ বছৰীয়া কাব্যলোচনী ২০২২ বৰ্ষৰ দ্বিতীয় সংখ্যাটো উন্মোচন কৰা হয়। এই সংখ্যাটো সম্পাদনা কৰে অতিথি সম্পাদক চুমী ৰহমানে। লগতে চন্দ্ৰমা শৰ্মাৰ এটা শব্দৰ গান উন্মোচিত হয়। কণমানি শিল্পী হিমশিখা হাজৰিকা আৰু কবি লেখিকা টুটুমণি মেধিয়ে বিহু নৃত্য প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। কবি লেখিকা চুমী ৰহমানৰ গ্ৰন্থখনে কাজিৰঙা ভ্ৰমণৰ ক্ষেত্ৰত পৰ্যটক সকলক যথেষ্ট সহায় হ'ব বুলি ভাষা প্ৰকাশনৰ স্বত্বাধিকাৰী মুকুট শৰ্মাই কয়। উক্ত সভাত সাহিত্য অকাডেমি বঁটা প্ৰাপক ড° জয়ন্ত মাধৱ বৰা, ৰুদ্ৰ সিংহ মটক, হৃদয় কুমাৰ পাটগিৰি, ড° ভৱেশ দাস, দিলীপ নন্দী, জমিৰ ৰহমান, নাং অঞ্জনা গগৈ, ডাং চন্দ্ৰমা মেধি, পুতুলী ঠাকুৰীয়া মেধি, অলি বৰুৱা, আল্পনা দলে, কবিতা তালুকদাৰকে আদি কৰি অসমৰ বিভিন্ন প্ৰান্তৰ বহু কেইগৰাকী প্ৰতিষ্ঠিত কবি-সাহিত্যিকে অংশ গ্ৰহণ কৰে বুলি আজিৰ কবিতাৰ সম্পাদক বিনয় চলিহা আৰু মেজাংকৰি প্ৰকাশনৰ সচিব ঊষামণি শইকীয়াই জানিবলৈ দিয়ে।

# নিযুক্তিৰ নামত সংঘটিত হোৱা ব্যাপক দুৰ্নীতিৰ অভিযোগ দুৰ্নীতি বিৰোধী যুৱ শক্তিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ২০০৭ চনত ৰাজ্যত অনুকম্পামূলক নিযুক্তিৰ নামত হোৱা ব্যাপক দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে দুৰ্নীতি বিৰোধী যুৱশক্তি, অসমে। দিছপুৰ প্ৰেছ ক্লাবত আয়োজন কৰা সংবাদ মেলত সংগঠনটোৰ ৰাজ্যিক সভাপতি ধৰ্মকান্ত গগৈয়ে কয়- তথ্য জনাৰ অধিকাৰ আইন ২০০৫ৰ জৰিয়তে লাভ কৰা তথ্যৰ আধাৰত এই বিস্ফোৰক দুৰ্নীতি প্ৰত্যক্ষ কৰিছোঁ। য'ত নেকি উপযুক্ত প্ৰাৰ্থীক বঞ্চিত কৰি স্বজন তোষণৰ জৰিয়তে অনুপযুক্ত প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছিল। উদাহৰণ হিচাপে ২০০৭ চনত লখিমপুৰ জিলাৰ উদ্যোগ আৰু বাণিজ্যিক কেন্দ্ৰৰ এটা তৃতীয় শ্ৰেণী পদৰ বাবে লখিমপুৰ জিলাৰ সেই সময়ৰ জিলা উপায়ুক্ত মনিষ ঠাকুৰৰ নেতৃতত উত্তৰ লখিমপুৰ জিলা বাচনি কমিটী গঠন হৈছিল। এই বাচনি কমিটীয়ে বয়সৰ জালিয়াতি আৰু শিক্ষাগত প্ৰমাণ পত্ৰৰ জালিয়াতিৰে চাকৰি কৰা তোযেশ্বৰ বৰা নামৰ কৰ্মচাৰীজনৰ পুত্ৰই ধন আৰু স্বজন-তোষণৰ বিনিময়ত অনুকম্পামূলক নিযুক্তিৰ বাবে যোগ্যতা অৰ্জন কৰিছিল। য'ত যোগ্য প্ৰাৰ্থীক বঞ্চিত কৰি অযোগ্য এজনক অনুকম্পামূলক নিযুক্তিৰ বাবে নাম অনুমোদন কৰিছিল জিলা বাচনি কমিটীয়ে। এই সম্পৰ্কত নিযুক্তি পৰ্ব চলি থকা সময়তে উদ্যোগ আৰু বাণিজ্যিক বিভাগৰ গুৱাহাটী বামুণীমৈদামস্থিত আয়ুক্ত কাৰ্যালয়ত বঞ্চিত সকলে অভিযোগ কৰিছিল কিন্তু আয়ুক্ত কাৰ্যালয়ে সেই সময়ৰ চৰকাৰৰ সোপাঢিলা নীতিৰ বাবে কোনো ধৰণৰ ব্যৱস্থা নকৰি পৰৱৰ্তী পৰ্যায়ত একাংশ বিষয়াক লৈ গঠিত হোৱা ৰাজ্যিক অনুকম্পামূলক বাচনি কমিটীয়ে স্বজন-তোষণৰ নীতি গ্ৰহণ কৰি ৰবীন বৰা নামৰ অনুপযুক্ত প্ৰাৰ্থীজনক অনুকম্পামূলক নিযুক্তিত অনুমোদন প্ৰদান কৰে। গতিকে উপৰোক্ত জিলা বাচনি কমিটী আৰু ৰাজ্যিক বাচনি কমিটীৰ সকলো সদস্যকে তদন্তৰ আওঁতালৈ আনি কি কাৰণত আৰু কিহৰ ভিত্তিত ভুৱা প্ৰমাণ-পত্ৰৰে চাকৰি কৰি থকা কৰ্মচাৰী পুত্ৰ ৰবীন বৰা নামৰ প্ৰাৰ্থীজনক অনুকম্পামূলক নিযুক্তি প্ৰদান কৰা হ'ল। এই অভিযোগ পত্ৰৰ সৈতে সংলগ্ন কৰা তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে লাভ কৰা সমূহ তথ্যত প্ৰাৰ্থীজনৰ পিতৃয়ে শিক্ষাগত আৰু বয়স জালিয়াতি কৰা জল-জল-পট-পটকৈ ওলাই পৰিছে। গতিকে সমূহ তথ্যৰ আধাৰত দুৰ্নীতি নিবাৰক শাখাই কংগ্ৰেছ চৰকাৰৰ আমোলত সংঘটিত হোৱা এই ভয়ানক দুৰ্নীতিৰ তদন্ত কৰিবলৈ অনুৰোধ জনালোঁ। সমান্তৰালভাৱে অনুকম্পামূলক নিযুক্তিৰ নামত ২০০৭ চনৰ পৰা বঞ্চিত হোৱা প্ৰাৰ্থী সকলৰো মতামত গ্ৰহণৰ বাবে এক সুকীয়া ব্যৱস্থা কৰিবলৈ সংবাদ মেলৰ জৰিয়তে অনুৰোধ জনালোঁ।

# 'ৰমজানৰ কবিতা'ৰ নৱম বাৰ্ষিক সংখ্যাৰ শুভ উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ খাইৰ প্ৰকাশনে প্ৰতি বছৰে পৱিত্ৰ ৰমজান মাহ উপলক্ষে ৰমজান মাহত প্ৰকাশ কৰা 'ৰমজানৰ কবিতা' নামৰ অসমীয়া কাব্য সংকলনখনৰ নৱম বাৰ্ষিক সংখ্যাটি আবেলি ৩ বজাত মৈৰাবাৰী প্ৰেছ ক্লাৱত খাইৰ প্ৰকাশনৰ পৰিচালন সঞ্চালক মুহাম্মাদ আফজালৰ পৌৰোহিত্যত শুভ উন্মোচন হৈ যায়। কবি খাইৰুল ইছলাম আৰু মুহাম্মাদ আফজাল সম্পাদিত কাব্য সংকলনখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক, জ্যেষ্ঠ কবি হানিফ উদ্দিন আহমেদ আৰু বিশিষ্ট কবি, শিক্ষক ৰেকিবুল আজাদে। হাফিজ আসাদ মদনীৰ কুৰআন পাঠেৰে শুভাৰম্ভ হোৱা উন্মোচনী সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে খাইৰ প্ৰকাশনৰ স্বত্বাধিকাৰী খাইৰুল ইছলামে। সভাত উপস্থিত থাকি কবি হানিফ উদ্দিন আহমেদ, খাইৰুল ইছলাম, মতিউৰ ৰহমান, আসাদ মদনী আৰু মুহাম্মাদ আফজালে নিজৰ নিজৰ ৰমজানৰ কবিতা পাঠ কৰে। 'ৰমজানৰ কবিতা'ৰ মুখ্য সম্পাদক খাইৰুল ইছলাম আৰু সম্পাদক মুহাম্মাদ আফজালে বছৰে বছৰে ৰমজান মাহত অসমৰ বিভিন্ন প্ৰান্তৰ কবিসকলে কবিতাৰে আগবঢ়াই অহা সক্ৰিয় সহযোগিতাৰ আন্তৰিক শলাগ লয়।

# মাছলেণ্টিছা

পুলিন ডেকা



হঠাৎ এক বিকট শব্দই চৌপাশে কপাঁই গ'ল । ভয়ংকৰ বিস্ফোৰণ । কাৰোবাৰ কাতৰ যন্ত্ৰণা ভাহি আহিছে। ওলোগা কৰোলাভাই খিৰিকীখন খুলি দেখে সুদূৰত ধোঁৱাঁৰে আচ্ছন্ন হৈ পৰিছে এলেকাটো। যেন শীতাৰ্ত ধুৱঁলী-কুৱঁলী। খন্তেক আগতে বিধবস্ত হৈ পৰা টিভিৰ টাৱাৰটোৰ পৰা নিগৰিত হৈ আছে অগ্নিশিখা। কেইটামান কুকুৰে আতংকিত হৈ বৃহৎ গছজোপাৰ তলত নিৰৱে বহি ৰৈছে । জনশূণ্য ৰাজপথ। বাট-পথত পৰি ৰৈছে ধ্বংসাৱশেষ। বোমা বৰ্ষণৰ সয়িঞ্চু ৰূপ। বিধ্বস্ত ৰাজপথেৰে কেইবাখনো কামান কঢ়িয়াই নিয়া গাড়ী পাৰ হৈ গৈছে। হঠাৎ ওলাগাই দেখে কেইবাখনো যুদ্ধ বিমানে বিকট শব্দ কৰি পাৰ হৈ গৈছে।

'শত্ৰু আহিছে। '-তাই চিঞৰি উঠে। ৰাজপথেৰে গৈ থকা কামান কঢ়িওৱা গড়ী কেইখন ৰৈ গ'ল। কেইবাজনো সৈন্য নামি আহি অঞ্চলটো পৰ্যবেক্ষণ কৰিবলৈ ধৰে। হঠাৎ সেনাৰ কমাণ্ডাৰজনে আকাশলৈ হাতখন দেখুৱাই দি কৈ উঠে-' ফায়াৰ, ফায়াৰ'।

নিমিষতে কামানৰ শব্দত ৰজনজনাই উঠে অঞ্চলটো । শত্ৰু পক্ষৰ বিধ্বস্ত বিমানৰ অগ্নিশিখা নামি আহিছে তললৈ। ওলোগা নিশ্চিত হ'ল বিমানখন ধ্বংস হৈছে । এটা গৌৰৱৰ অপমৃত্যু হ'ল । তাইৰ মুখমণ্ডলত আত্মবিভোৰতাৰ প্ৰতিচ্ছবি। নিজৰ দেশৰ সেনাৰ সাহস দেখি তাই ছেল্যুট এটা মাৰিলে। বহু সময় ধৰি তাই একেথিৰে চাই ৰ'ল আকাশলৈ । খন্তেক সময় নীৰৱে থকাৰ পিচত সৈন্য কেইজনে পুনৰ আক্ৰমণ চলালে। এইবাৰ লক্ষ্যভ্ৰষ্ট হ'ল । তাই খিৰিকীখনত জোৰেৰে হাত খনেৰে হেঁচি ধৰিলে।

যোৱা চাৰিদিন ধৰি খাৰচন চহৰত নিৰৱচ্ছিন্নভাৱে আক্ৰমণ চলিলে। প্ৰাত্যহিক বোমা-বাৰুদৰ শব্দত ভয়াৰ্ত্ত হৈ পৰিছে। টিভিৰ পৰ্দাত প্ৰতিনিয়ত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ সংবাদ। শত্ৰুপক্ষই বহুমূলীয়া ৰাজহুৱা সম্পতিবোৰৰ ওপৰত বোমা পেলাইছে। নিমিষতে ধ্বংস হৈ পৰিছে কেইবামহলীয়া অট্টালিকা। কালি চহৰৰ অতি ব্যস্ত এলেকাত বোমা পেলাই কেইবাজনো নিৰীহ লোকক হত্যা কৰাৰ পিচতে ওলাগা অধিক ক্ষুব্ধ হৈ পৰিছে।

কালি ওলাগাৰ বান্ধৱী ভিটালী ক্লিটস্কে ফোন কৰি জনাই দিছিল যে সিহঁতৰ মৃত্যু হয়তো অৱধাৰিত হৈ পৰিছে। বিমান বন্দৰ আক্ৰমণৰ লক্ষ্য হিচাপে লৈছে শত্ৰু বাহিনীয়ে । বিমান বন্দৰৰ পৰা তিনি কিলমিটাৰ আঁতৰত তিনি বছৰ পূৰ্বে ভিটালী স্বামী মলাস্কী ক্লিটস্কে বেংকৰ পৰা ঋণ লৈ অট্টালিকা সাজিছে । তাইৰ স্বামী এজন সাধাৰণ ব্যৱসায়ী। তাইৰ এদিন এটা সপোন আছিল-নিজা ঘৰ এখন সজাৰ । সপোণ সাৰ্থক হোৱাৰ পিচত তাই চৌপাশে ফুলনি বাগিচা এখন সাজিছিল। তাই ঘৰটো চাবলৈ মাতিছে মাছলেণ্টিছা উৎসৱৰ সময়ত। ওলাগাই তাইক জনাই দিছিল যে এইবাৰ মাছলেণ্টিছাৰ সময়ছোৱাত দুদিন তাইৰ সৈতে কটাব। কেক, পিঠাপনা বনাই অনন্য ৰূপত পালন কৰিব উৎসৱটি। হঠৎ যেন পট পৰিৱৰ্তন । উৎসৱৰ সময়ত যুদ্ধৰ ধ্বনি বাজি উঠিছে।

কালি মাজনিশা ভিটালীয়ে কৈছিল-'বোমা যদি বিমান বন্দৰত নপৰি আমাৰ ঘৰত পৰে। জীয়াই থকিব পাৰিম জানো?'

'এইবোৰ কথা বেছিকৈ ভাবিব নালাগে। ৰক্তপিপাসুহঁতে নিখুঁতভাৱেই বিমান বন্দৰত ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিব।'

'নহয় অ'। কৃষ্ণ সাগৰৰ পাৰত সিহঁতে খোপনি পুতিব পাৰিলে এখনৰ পিচত এখন চহৰ দখল কৰিব পাৰিব। সিহঁতৰ লক্ষ্য এতিয়া কিয়েভ। তাৰ বাবে যিকোনো কামেই কৰিব পাৰে। দুদিনৰ পৰা আক্ৰমণ তীব্ৰতৰ কৰি তুলিছে।' চৌপাশৰ পৰা সিহঁতে আক্ৰমণ চলাইছে। আমিও হাৰ মনা জাতি নহয় । এই বিপদৰ সময়ত আমিও আমাৰ সেনাক সাহস যোগাব লাগিব । ভাগি পৰিলে কেনেকৈ হ'ব।

তুমি দেখা নাই । ইয়ালৈ সাংবাদিক আহিব পৰা নাই বাবে প্ৰকৃত ছবিখন মানুহে বুজি উঠা নাই। কোনো মানুহে বাহিৰলৈ ওলাব পৰা নাই। পুৱাই দোকান খোলে। তাতো দীঘলীয়া শাৰী। এই কেইদিন ব্ৰেড, চকলেট, খাই জীয়াই আছো। বিদ্যুৎ সংযোগ বিচ্ছিন্ন । পানী যোগান বন্ধ। নিশা বৰফৰ টুকুৰাবোৰ সংগ্ৰহ কৰি বাল্টিত ভৰাই থৈ পানী কৰিছো আৰু তাকেই খাইছো।'

'আমাৰ ইয়াতো একেই অৱস্থা। পোহৰ হ'লে নামে আহে বিভীষিকা। গুলী-বাৰুদ, বোমাৰ শব্দই জীৱণ হৈ পৰিছে। মই কিন্তু সাহসী হ'বলৈ শিকিছো। ঘৰত থকা বন্দুকটো লৈ অণুশীলন আৰম্ভ কৰিছো। প্ৰয়োজন হ'লে ৰণক্ষেত্ৰলৈ যাম। শত্ৰুক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰো।

'মোৰ ভয় লাগিছে । ভলন'ভাখা মহানগৰীৰ লৈ মলাস্কি যোৱাৰ পিচৰে পৰা কণমাণি ছোৱালী জনীক অকলে লৈ আছো। কি ভয়ংকৰ যন্ত্ৰণা।


'মলাস্কিৰ খবৰ লৈছা নে নাই ?'

'তেওঁ হিউমেনিটেৰিয়াম কৰিড'ৰেৰে ওলাই গৈ এতিয়া নিৰাপদে আছে । কিন্তু মানুহজনে আমাক লৈ ভীষণভাৱে উদ্বিগ্ন হৈ পৰিছে। ভিডিঅ' কলিং কৰি খবৰ লৈছে। হয়ো শেষবাৰৰ বাবে তেওঁ আমাক দেখিছে। ...ৰ'চোন ৰ'। বাহিৰত অবিৰাম গতিত গোলাবৰ্ষণ হৈছে। ছোৱালীজনীক লৈ বাংকাৰত আশ্ৰয় লওঁ।'- ভিটালীয়ে ম'বাইলৰ ফোনত সংযোগ বিচ্ছিন্ন কৰি দিছিল। শত্ৰু পক্ষৰ সেনাৰ লক্ষ্যভ্ৰষ্ট বোমা বিমান বন্দৰত নপৰিল।

*(আঠপৃষ্ঠাত চাওক)*

# আত্মীয় অনুভূতি

**মৃদুস্মিতা শৰ্মা গোস্বামী, যোৰহাট**



বোৱাৰী, তুমি যে এতিয়া মাৰাক ক'লা আজি আমাৰ ঘৰলৈ ন-কইনাক ফুৰাবলৈ আনিব বুলি, কোন আহিব আজি? সেই যে, গণেশৰ ল'ৰাৰ বিয়াখন খাইছিলাগৈ -সেইজনী বোৱাৰীক আনিব নেকি? বোৱাৰীয়েকৰ পৰা সবিশেষ শুনাৰ পিছত অশীতিপৰ বৰদেউতাই হেনো আনন্দত ক'ব নোৱাঁৰা হৈ কৈছিল, "বৰ ভাল কথা, বৰ ভাল কথা। তুমি জানানে নাই, সিহঁত আমাৰ একেবাৰে আপোন মানুহ। জীৱিকাৰ খাতিৰত ঘৰৰ পৰা আঁতৰি থাকিবলগা হোৱাত আহ-যাহবোৰ কমি গ'ল বাবেই নিজৰ মানুহবোৰো কিবা অচিনাকীৰ দৰে হ'বলৈ ধৰিলে। গণেশ মোৰ সম্পৰ্কীয় ভাই আৰু ন-কইনাজনী মোৰ ভতিজা বোৱাৰী। মাৰাই তোমাক বুজাই দিছেনে নাই? গতিকে অহাৰ লগে লগে চিধাই টিভি থকা ৰূমটোলৈকে সুমুৱাই আনিবা, ড্ৰয়িং ৰূমত নবহুৱাবা আকৌ দেই। কাৰণ, সিহঁত মোৰ ঘৰৰ মানুহ"।

কিমান আত্মীয়তা থাকিলে তেনে ধৰণৰ কথাৰে মনৰ আনন্দ প্ৰকাশ কৰিব পাৰে তাকে ভাবি আপ্লুত হলো আৰু অন্তৰৰ গভীৰতাত আত্মীয়তাক উপলদ্ধি কৰিবলৈ যত্ন কৰিলোঁ ।

শুনিছিলো, প্ৰকৃতিক ভাল পোৱা মানুহবোৰৰ অন্তৰবোৰ হেনো বিশাল হয়। নিজে একো নজনাকৈয়ে প্ৰকৃতিক প্ৰাণ ভৰি ভাল পোৱা শৈশৱৰ মধুৰ স্মৃতিবোৰ মানুহজনে এতিয়াও নিশ্চয় অন্তৰত সাঁচি ৰাখিছে । হয়তু ঋতু অনুযায়ী প্ৰকৃতিৰ উপহাৰ সমূহক উপভোগ কৰাৰ অৱকাশ পাইছিল বাবেই সেই অগ্ৰজসকলে সীমিত সুবিধাৰ মাজেদিয়েই বিভিন্ন ক্ষেত্ৰত নিজৰ নিজৰ মেধা শক্তিৰে সময় অনুযায়ী আগুৱাই যাব জানিছিল, মানৱ সম্পদ গঢ়ি উলিয়াব পাৰিছিল। সম্পৰ্কীয় ককাই-ভাই, বাই-ভনীবোৰ একেলগে লগ লাগি বিভিন্ন ধৰণেৰে ফূৰ্তি-তামাছা কৰাৰ লগতে পকা পকা আম, জামু, লিচুবোৰ বাৰীৰ পৰা গোটাই-পিটাই আনি ভগাই খাব জানিছিল । নিজৰ লগতে পৰিয়ালৰ লোকৰ প্ৰতি থকা দায়িত্ববোধ উপলদ্ধি কৰিব পাৰিছিল । হয়তু আখলৰ জুইকুৰাৰ খৰিদাল লৰাই পোৱা, ৰঙা মাটিৰ মজিয়াত পীৰা পাৰি বহি, পোৰা আলুৰ পিটিকাৰ সৈতে পঁইতা ভাতৰ জুতি লৈ পোৱা, জোনাক ৰাতি চোতালত বহি বিচনীৰ বা লৈ ককা-আইতাৰ মুখৰ সাধু শুনাৰ আমেজ লৈ পোৱা, তাহানিৰ দিনবোৰত কৃত্ৰিমতা কমকৈ আছিল বাবেই মৰমৰ বান্ধোনবোৰ এতিয়াও ইমান নিকপকপীয়া।

*(আঠপৃষ্ঠাত চাওক)*

# অইদ বিচাৰি

**সংগীতা মাইনা ডেকা, ৰঙিয়া**



উশাহৰ প্ৰান্তত,
কবিতা এটি লিখাৰ হেনো কথা আছিল
গোলাপৰ ৰঙেৰে...!
পিছে আগুৱাই গৈ গৈ,
সাগৰখন হাতৰ দুমুঠিত অনাৰ আকাংক্ষাত
বালিবোৰ হে চোন,
হাতত পৰিল...!
জীৱনৰ কিছু পলো,
আজুৰি অনাৰ কথা আছিল সেই উশাহবোৰ.... !
কিন্তু এয়া নো কি ?
খালী খালী পৃষ্ঠাবোৰ যে,
আশাৰ ৰেখাবোৰ গোপনে গোপনে আঁকি থোৱা
এই হাত দুখনিত পৰিল...!
জানো কিয় বা...?

# ডিচিআই- জমেটৰ উদ্যোগত এক হাজাৰ পৰিয়াললৈ সাহায্য



ৰঙিলী বাৰ্ত্তাসেৱা- বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা ডেভলপমেন্ট কনচাৰ্ণ ইন্টাৰনেছনেলে (ডিচিআই) জমেটোৰ সহযোগত মহানগৰীৰ এক হাজাৰ নিম্ন আয়ৰ পৰিয়ালৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। মহানগৰীৰ অনাথ আশ্ৰমত আৰু পদপথৰ ব্যৱসায়ী, গৃহকৰ্মী আদিৰ মাজত ২৪-২৮ এপ্ৰিল লৈ এই কাৰ্যসূচী ৰূপায়ণ কৰে। মহানগৰীৰ নাৰেংগী, মঠঘৰীয়া, খ্ৰীষ্টানবস্তি, গীতানগৰ, পূব-নৰকাসুৰ পাহাৰ, উত্তৰ-পূব নৰকাসুৰ পাহাৰ, জটিয়া, জনকপুৰ, ৰাধা নগৰ, আজিজ নগৰ, নৱজ্যোতি নগৰ, নোৱাপাৰা, বিদ্যানগৰ, গাৰোঘূলি, ছয়মাইল, পাটৰকুছি, নাজিৰাখাট, যোগদল, তেৰমাইল, খানাপাৰা, কলেজগেট, কলংপাৰ, চামতা পথাৰ, সোণাপুৰ, নৰতাপ, তেতেলীয়া, মৰঙাবাৰী, হহৰা, বাইশ মাইল আদি ৩২টা স্থানত এই খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। দহ কিলোগ্ৰামকৈ ওজনৰ মুঠ ১০০০টা এনে খাদ্য সামগ্ৰীৰ কীট এই অভিযানৰ সময়ত ডেভলপমেন্ট কনচাৰ্ণ ইন্টাৰনেছনেলে জমেটোৰ সহযোগত বিতৰণ কৰে। কাৰ্যসূচীত সংস্থাৰ কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে।

# জনশিমলু হাইস্কুলত সজাগতা সভা



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ বতাহঘুলিস্থিত জনশিমলু হাইস্কুল প্ৰাংগণত দিছপুৰস্থিত ৰাজধানী চিকিৎসালয়ৰ উদ্যোগত সোমবাৰে এখনি সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক কনক কলিতাই পৌৰোহিত্য কৰা সভাত হাস্পতালৰ বিকাশ কলিতাই মেলেৰিয়া, ডেংগু, কলেৰা আদি বেমাৰৰ প্ৰতিৰোধ সম্পৰ্কে বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰীৰ মাজত কিছু বক্তব্য দাঙি ধৰে।আনহাতে বিদ্যালয়ৰ ছাত্ৰী-ছাত্ৰীৰ মাজত মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰশ্নত্তোৰ শিতানত উত্তৰ দিয়া ছাত্ৰী- ছাত্ৰীক পুৰস্কাৰ প্ৰদান কৰে। সভাত বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী আদি কেইবাজনো লোক উপস্থিত থাকে।




JANASANYOG- 370/22

# চীনৰ ফাণ্ডত ভৰি থৈ বিপদত শ্ৰীলংকা

## বিধ্বস্ত অৰ্থনৈতিক অৱস্থা ঃ হাঁহাকাৰ জনতাৰ

গোপাল জালান

অতি সম্প্ৰতি বিশ্ববাসীৰ দৃষ্টি নিবদ্ধ হৈছে ইউক্ৰেইন আৰু শ্ৰীলংকাৰ ওপৰত। এখন যুদ্ধবিধ্বস্ত অৱস্থাৰ বাবে আৰু আনখন অৰ্থনৈতিকভাৱে বিধ্বস্ত ছবিৰ হেতুকে। বিগত এটা দশকত বিশ্বৰ ভিতৰত সবাতোকৈ অৰ্থনৈতিকভাৱে বিধ্বস্ত দেশখনেই হৈছে শ্ৰীলংকা। ৰাৱণৰ স্বৰ্ণলংকাত আজি খাদ্যৰ বাবে মানুহৰ মাজত হৈছে হাঁহাকাৰ। দেশত মূল্যবৃদ্ধিয়ে যি হাৰত গতি কৰিছে সেয়া সম্ভৱতঃ বিশ্বৰ ভিতৰত এটা দশকত হোৱা সৰ্বাধিক মূল্যবৃদ্ধি। ৰন্ধন গেছৰ চিলিণ্ডাৰ এটাৰ দাম চাৰি হাজাৰ টকাৰ ওপৰত। সাধাৰণ চাউল এক কিলোগ্ৰামৰ দাম পাঁচশ টকালৈ উঠিছে। এটা কণীৰ দাম ৩৫ টকা। টকা দিলেও পেট্ৰ'ল-ডিজেল নোপোৱা হৈছে। ৯০ শতাংশ পৰিবহণ বন্ধ হৈ পৰিছে। ৰাজকোষত নাই পৰ্যাপ্ত ধন। বৈদেশিক মুদ্ৰাৰ ভঁৰাল উদং। দেশখনৰ ধাৰৰ বোজা ইমান বেছি হৈছে যে সেয়া কল্পনাই কৰিব নোৱাৰি। দেশখনত উৎপাদন বুলিবলৈ শূন্য। যিখন দেশে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ উৎকৃষ্টমানৰ চাহপাত প্ৰেৰণ কৰিছিল সেইখন দেশত আজি জনগণে খাবলৈ পোৱা নাই একাপ চাহ। দেশৰ অৰ্থনৈতিক অৱস্থা এনেদৰে বিধ্বস্ত হৈ পৰিছে যে ইউক্ৰেইনত যুদ্ধৰ বাবে হোৱা অৰ্থনৈতিক অৱস্থাতকৈ অধিক বেয়াৰ ফালে ঢাল খাইছে। কেৱল সেয়াই নহয়-আজি দেশৰ জনগণে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ৰাজপথত নামিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। দেশৰ জনগণৰ মাজত যুদ্ধোত্তৰ পৰিৱেশে বিৰাজ কৰিছে। স্বৰ্ণলংকাৰ চৌদিশে এতিয়া কেৱল ভস্ম। নিয়ন্ত্ৰণহীন পৰিস্থিতি আৰু ভৱিষ্যতৰ ছবি।

দ্বীপ ৰাষ্ট্ৰখনৰ মূল চালিকা শক্তি হ'ল পৰ্যটন আৰু জৈৱিক খেতি। তদুপৰি চাহ আৰু বস্ত্ৰ উদ্যোগৰ পৰাও পৰ্যাপ্ত ধন সংগ্ৰহ। ২০১৮ চনলৈকে বছৰি কমেও ৪৪ নিযুত সংগ্ৰহ কৰিছিল কেৱল পৰ্যটনৰ জৰিয়তে। দেশখনৰ মুঠ বাৰ্ষিক উৎপাদনৰ চৰ শতাংশ আহে কৃষিৰ পৰা। তদুপৰি ৩৮ শতাংশ লোক কৃষিকৰ্মতে জড়িত। দেশখনত ধান উৎপাদনৰ স'তে দুই নিযুত লোক জড়িত হৈ আহিছে। মুঠ শ্ৰমিকৰ কমেও ৩০ শতাংশ জড়িত ধানৰ উৎপাদনৰ স'তে। চাৰি বছৰমান আগলৈকে দেশখনে এনেদৰে সংগ্ৰহ কৰা উৎসৰ পৰাই চলি আছিল। বন্ধু ৰাষ্ট্ৰ হিচাপে এইক্ষেত্ৰত ভাৰতেও সহায়ৰ হাত আগবঢ়াইছিল। ভাৰতৰ বহুতো আঁচনি শ্ৰীলংকাত ৰূপায়ণ কৰা হৈছিল।



এসময়ত শ্ৰীলংকাত এল টি টি ইৰ সন্ত্ৰাসৰ বাবে জনগণে এগৰাকী শক্তিশালী ৰাষ্ট্ৰপতিৰ সন্ধান কৰিছিল। সেই সময়ত মহিন্দ্ৰা ৰাজপাকছেৰ প্ৰবল প্ৰতাপৰ বাবে দ্বীপ ৰাষ্ট্ৰখনৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হৈছিল। ৰাষ্ট্ৰপতি হোৱাৰ পাছত তেওঁৰ পদক্ষেপৰ বাবেই বিশ্বৰ সবাতোকৈ শক্তিশালী সন্ত্ৰাসবাদী সংগঠন হিচাপে চিহ্নিত এল টি টি ইক মষিমূৰ কৰিবলৈ সক্ষম হৈছিল যদিও ২০১৫ৰ নিৰ্বাচনত তেওঁ পৰাজিত হয় কেৱল তেওঁৰ বিৰুদ্ধে উত্থাপিত সীমাহীন দুৰ্নীতি আৰু বিতৰ্কৰ বাবে। পিছে তেওঁ পৰাজিত হ'লেও ২০১৯ত ভ্ৰাতৃ গোটাবায়া ৰাজপাকছেই ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল। বাছিল ৰোহানা ৰাজপাকছেই দেশৰ বিত্তমন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ লগে লগে কেবিনেট মন্ত্ৰীসভাত পঞ্চমগৰাকী ৰাজপাকছেৰ পৰিয়ালৰ সদস্য হিচাপে চৰ্চালৈ আহে। দেশ এখনৰ কেবিনেট মন্ত্ৰীসভাতেই যদি এটা পৰিয়ালৰ পাঁচগৰাকী সদস্যই স্থান লাভ কৰে তেনেহ'লে দেশখনৰ উন্নয়ন কোন দিশে গতি কৰিব পাৰে সেয়া সহজেই অনুমেয়।

১৯৪৮ৰ ৪ ফেব্ৰুৱাৰীত শান্তিপূৰ্ণভাৱেই বৃটিছে শ্ৰীলংকাক ঔপনিবেশৰ পৰা মুক্ত কৰিছিল। ইয়াৰ পাছৰে পৰাই চুবুৰীয়া দেশখনে ভাৰতৰ স'তে সুসম্পৰ্ক ৰক্ষা কৰি আছিল। পিছে ৰাজপাকছেৰ পৰিয়ালৰ স'তে চীনৰ লক্ষ্য আছিল দ্বীপ ৰাষ্ট্ৰখনক ভাৰতৰ স'তে সম্পৰ্ক ছিন্ন কৰাৰ। সেইবাবে জিনপিঙে এনে এখন জাল পাতিলে য'ত শ্ৰীলংকা বন্দী হৈ পৰে। চীনৰ চক্ৰবেহুৰ পৰা ওলাব নোৱাৰি শ্ৰীলংকাই লাহে লাহে ভাৰতৰ স'তে সম্পৰ্ক দুৰ্বল কৰিবলৈ ধৰে। শ্ৰীলংকা চৰকাৰৰ দুৰ্বলতাৰ *(আঠপৃষ্ঠাত চাওক)*

# আমাৰ আপোন বিহু আৰু কিছু চিন্তা

ফখৰুদ্দিন আহমেদ



হাই স্কুলীয়া জীৱনত “অসমৰ জাতীয় উৎসৱ” ৰচনাখনি মুখস্থ কৰা আমাৰ কাৰণে প্ৰায় বাধ্যতামূলক আছিল। কাৰণটো হ'ল নৱম, দশম মানৰ ছমাহিলী তথা বছৰেকীয়া আৰু মেট্ৰিক পৰীক্ষাত উক্ত ৰচনা খন প্ৰায়েই আহিছিল। সেয়ে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলে ছাত্ৰ ছাত্ৰী অৰ্থাৎ আমি ৰচনাখন মুখস্থ কৰি পৰীক্ষাৰ বাবে প্ৰস্তুত হৈ থকাতো কামনা কৰিছিল।

আমাৰ ঘৰখনত থকা পৰিয়ালৰ সদস্য সকলৰ ভিতৰত ককাদেউতা যিজনক আমি বুঢ়া বাবা বুলি মাতিছিলো তেখেত আৰু আমাৰ দেউতা দুয়োগৰাকী মৌলবী মানে ইছলামী ধৰ্ম শাস্ত্ৰ আৰু দৰ্শনত পণ্ডিত আছিল। হ'লেও বহাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহুত কিছুমান আচাৰ পালন কৰা প্ৰত্যক্ষ কৰিছিলো। ঠিক তেনেদৰে কেৱল আমাৰ পৰিয়ালটোৱেই নহয় সমগ্ৰ গাঁও খনৰ পৰিয়ালবোৰেই এই আচাৰবোৰ কৰিছিল।

এতিয়াৰ পৰা অতি কমেও চাৰি দুই দশক মানৰ পূৰ্বে অসমৰ প্ৰতি ঘৰতে অনবৰত তাঁত শালৰ মাকোৰ খিট্ খিটনিৰ শব্দ অহৰহ শুনিবলৈ পোৱা গৈছিল। এই শালত বোৱা গামোচাৰে বৰজনাক গাঁৱৰ তিৰোতা সকলে মান ধৰাৰ নিয়ম পালিত হৈ আহিছিল পৰম্পৰাগত ভাৱে । এয়া কাৰ্য বিশেষভাৱে পালিত হৈছিল বহাগ বিহুৰ সময়ত। হিন্দু-মুছলমান বুলি নহয় ওচৰ চুবুৰীয়া গাঁওবোৰে উমৈহতীয়া ভাৱে মিলিজুলি বহাগী উৎসৱ আৰু বহাগী বিদায় অনুষ্ঠানবোৰ পালন কৰিছিল। বিহু কুঁৱৰী প্ৰতিযোগিতা, বিহু গীতৰ প্ৰতিযোগিতাৰ সৈতে ৰজিতা খুৱাই আন আন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছিল সাহিত্য, সংস্কৃতি আদি দিশত। শিশু, কিশোৰৰ পৰা আবাল বৃদ্ধ বনিতালৈকে সকলোৱে হিয়া উজাৰি যোগদান কৰিছিল ৰঙালী বিহুৰ উৎসৱত।

কাতি বিহুত পথাৰত জ্বলোৱা হয় বন্তি । নিজৰ ঘৰৰ চোতালৰ সমুখত থকা তুলসী গছৰ তলত চাঁকি জ্বলোৱাৰ নিয়ম পালিছিল গাঁওবোৰত। অৱশ্যে এই ক্ষেত্ৰত উল্লেখনীয় যে অসমত হিন্দু-মুছলমান নিৰ্বিশেষে সকলোৱে ভৰাল ঘৰৰ সমুখতহে স্থান তুলসী গছৰ। তুলসী গছৰ প্ৰতি ধৰ্ম নিৰ্বিশেষে সকলোৰে অসীম শ্ৰদ্ধা এতিয়াও আছে। বিশেষকৈ বসন্ত ৰোগত আক্ৰান্ত হ'লে কৰা জৰা-ফুকা ইত্যাদিত তুলসী গছৰ ডাল পাত ব্যৱহাৰ কৰাৰ প্ৰথা অসমীয়াৰ জন জীৱনত এতিয়াও বিৰাজমান। পথাৰত চাকি বা বন্তি জ্বলোৱাৰ উপৰিও বিশেষকৈ মুছলমান লোক সকলে কাতি বিহুৰ সময়ত সন্ধিয়া বেলা ধান খেৰৰ উকুৰা (ধোৱা উলিওৱা এবিধ বিশেষ যতন) জ্বলাই খেতি পথাৰত ধোৱা দিয়া দেখা গৈছিল। বছৰেকত এদিন গোহালিৰ গৰু বন্ধা ৰছীবোৰ সলাই নতুনকৈ দিয়াৰ নিয়ম আছিল আমাৰ সমাজত। সেই দিনটোত সৰু কালিত আমি বিশেষ স্ফুৰ্তি লাভ *(নপৃষ্ঠাত চাওক)*

# বহাগ

হিমাশ্ৰী বৰা,
তিনিচুকীয়া



১)
পমি আহিল
নেদেখা-নুশুনা ব্যাধিৰ ধুমুহা
ফৰকাল দৈনন্দিনে খাটনি ধৰিলে
প্ৰাণৰ বহাগক এইবাৰ পূৰ্ণোদ্যমে আদৰা।

২)
বৰপিতায়ে বলধহালক ন-পঘা পিন্ধালে
পেহীটিৰ বিহুৱানকেইখনে ভালপোৱা বিলালে
বাপতি সাহোনে সগৰ্বে দেখুৱালে
সম্প্ৰীতিৰ এনাজৰীত শক্তি উথলে ।

৩)
আপোন সুবাস বিচাৰি
উন্মাদ কংক্ৰীটৰ ৰাংঢালীজনী
মঞ্চত কাৰ চেনাইয়ে বা জুৰিছে,
'কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি' ।

৪)
নতুনৰ সুঘ্ৰাণ সিঁচি
ফুলি আছে বসন্তৰ ফুল
সীমাহীন প্ৰত্যাশাত ফুটে —
'বহাগে সানিব বোল,
বাহিৰ হ'ব বিদ্বেষৰ হুল ।'


অসম চৰকাৰ
GOVERNMENT OF ASSAM
জনতাৰ চৰকাৰ
my GOV
मेरी सरकार
অৰুণোদয়
আৰ্তজনৰ বাবে অসম চৰকাৰৰ যুগান্তকাৰী পদক্ষেপ
অৰুণোদয় আঁচনি
JANASANYOG- 366/22
১০ তাৰিখ
অৰুণোদয়ৰ দিন
হিতাধিকাৰীসকলৰ একাউণ্টলৈ প্ৰাপ্য ধন প্ৰদান
মুঠ হিতাধিকাৰী
১৮.৭৪ লাখ
প্ৰদান কৰা ধনৰ পৰিমাণ
১৮৭.৪৯ কোটি টকা
অৰুণোদয় আঁচনিৰ অধীনত প্ৰতিগৰাকী মহিলা হিতাধিকাৰীলৈ মাহিলি অনুদান
১,০০০লৈ বৃদ্ধি
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

# আলাপ

শিখা গোস্বামী মহন্ত



সহজ ভাবেই আমি আঁতৰি আহিছোঁ
ইজনৰ পৰা সিজন
এক কথাত সহজ এই বিচৰণ..
সহজ ভাবেই আমন্ত্ৰণৰ এই বিষাদ
সহজ সৰল শব্দৰ আদানপ্ৰদান
দৈনিক কথোপকথনৰ পৰা এশযোজনৰ
এই নিস্তৰঙ্গ নিবাক নিশব্দতাৰ আৱৰণ..
উমলিজামলি আমি ময় এক মধুৰ অৱগুণ্ঠন
তৰপেতৰপে গুঠাঁ শব্দৰ আলম
পবালি পবালি একাজলি সুখ..
সহজ বুলিও কেনেকৈ কওঁ
ইমান সহজ নে এই দূৰত্বৰ অৱস্থান!

# আত্মীয় অনুভূতি

সেই প্ৰজন্মৰ ইতিবাচক প্ৰভাৱক সন্মান জনাব জানিলে এতিয়াও হয়তু শ্ৰদ্ধা আৰু মৰমবোৰ প্ৰকাশ কৰাৰ মাধ্যম যান্ত্ৰিক ন'হৈ আন্তৰিক হোৱাৰ লগতে আন্তৰিকতাৰ পৰিসৰো গভীৰৰ পৰা গভীৰতলৈ যোৱাৰ পথ সুগম হ'ব। বাই-ভনী, ককাই-ভাই, পেহা-পেহী, মহা-মাহী, খুড়া-খুড়ী, মামা-মামী আদি বিভিন্ন সম্বন্ধবোৰ চেনেহৰ এনাজৰীৰে বান্ধ খাই থাকিব আৰু সম্বোধনবোৰৰ পৰিচিতিও বৰ্ত্তি থাকিব। নিজৰ ঘৰৰ সুস্বাদু আহাৰৰ বাহিৰেও, বছেৰেকৰ মূৰত এবাৰ হ'লেও আইতাৰ হাতৰ খাৰ আৰু বনশাকৰ আঞ্জাখনেৰে, মাহী, পেহী, খুড়ী, মামীয়ে পাকঘৰত তৈয়াৰ কৰা বিভিন্ন উপাদেয় ব্যঞ্জনেৰে এসাজ খোৱাৰ দুৰ্বাৰ হাবিয়াস জাগিব। জাতীয় সংস্কৃতিৰ পৰম্পৰা সমূহ পুৰুষানুক্ৰমে চলি থকাৰ লগতে বিপদে-সম্পদে পাৰিবাৰিক খা-খবৰবোৰ আদান প্ৰদানৰ বাবেও ম'বাইল ফ'নটো ব্যৱহৃত হ'ব । পৰিণতিত, অদূৰ ভৱিষ্যতে বৰদেউতাৰ দৰে কোনো সৌভাগ্যৱানে হয়তু আত্মীয়ৰ আগমনৰ বতৰা শুনি আনন্দ প্ৰকাশ কৰিবলৈ সুবিধা পাব।

# চীনৰ ফাণ্ডত ভৰি থৈ

সুযোগ লৈ চীনে দ্বীপ ৰাষ্ট্ৰখনক সহায় আৰু বিনিয়োগ কৰাৰ পৰিমাণ হ'ল ৰপ্ত বিলিয়ন ডলাৰ। কেৱল সেয়াই নহয়, ২০১৭ চনত চীনে দ্বীপৰাষ্ট্ৰখনৰ হাম্বান্তোতা আন্তৰ্জাতিক বন্দৰটো দখলৰে নীল নক্সা প্ৰস্তুত কৰে। চীনা কোম্পানীয়ে উক্ত বন্দৰটোত ১.১২ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰে। ২০১০-২০ৰ ভিতৰত চীনে দ্বীপৰাষ্ট্ৰখনত সৰ্বাধিক বিনিয়োগ কৰে। এই বিনিয়োগৰ ভিতৰত আছিল বিতৰ্কিত কলম্বো প'ৰ্ট চিটি প্ৰকল্প আৰু হাম্বান্তোতা বন্দৰ বিনিয়োগ। দুয়োখন দেশৰ মাজত মাজে মাজে কেবাখনো চুক্তি সম্পাদন হয়। শ্ৰীলংকাৰ পৰা চীনলৈ চাহ, গহনা আৰু বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ ৰপ্তানি হয়। ইয়াৰ বিপৰীতে শ্ৰীলংকাই চীনৰ পৰা ২০২০ত ৩.৫৮ বিলিয়ন মাৰ্কিন ডলাৰৰ সামগ্ৰী আমদানি কৰে। এনেদৰে চীনে কৌশলেৰে শ্ৰীলংকাক বশ কৰে যদিও শ্ৰীলংকাৰ ভাগ্য নিয়ন্ত্ৰাসকলে এই কথাৰ উমানেই নাপালে। বিগত দুটা বৰ্ষত ক'ভিডকালীন পৰিস্থিতিৰ বাবে শ্ৰীলংকাৰ পৰ্যটনৰ পৰা লাভ কৰা ৰাজহ শূন্যপ্ৰায় হৈ পৰে। এফালে ঋণৰ বোজাৰ পৰিণাম বৃদ্ধি আৰু আনফালে ৰাজকোষ শূন্য হোৱাত পৰিস্থিতি এতিয়া চৰম পৰ্যায়ত উপনীত হৈছে। বিশ্ব মুদ্ৰা নিধিয়ে দেশখনক অৰ্থনৈতিক সংস্কাৰৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ কেবাবাৰো পৰামৰ্শ আগবঢ়োৱাৰ পাছতো দেশৰ নেতৃত্বই বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ পৰিণতি আজি দেশবাসীয়ে ভুগিবলগীয়া হৈছে। দেশখনে ৪৫ বিলিয়ন মাৰ্কিন ডলাৰৰ বোজা বহন কৰিবলগীয়া হৈছে। আনহাতে চীনৰ আঠ বিলিয়ন ডলাৰৰ ঋণ পৰিশোধ কৰিবলৈ জিনপিঙে পৰোক্ষভাৱে হেঁচা দিয়াত দেশখনত লাগিছে হাঁহাকাৰ। এই বিপদৰ সময়ত বিগত সময়ছোৱাত জাল পেলোৱা চীনে সহায়ৰ হাত আগবঢ়োৱাৰ পৰিৱৰ্তে ঋণ উভতাই বিচৰাতহে সেশৰ নেতৃত্বই উপলব্ধি কৰিছে চীনৰ গভীৰ ষড়যন্ত্ৰৰ কথা। ইয়াৰ বিপৰীতে বিপদৰ সময়ত ভাৰতে শ্ৰীলংকালৈ আগবঢ়াইছে সহায়ৰ হাত। তথাপি ভুল ভাঙিবনে ৰাজপাকছেৰ পৰিয়ালৰ?

# অতীতে মাতিছে ৰিঙিয়াই

ইৰা বৰুৱা

মাঘ মাহৰ ভোগালীৰ মিঠা অনুভূতিয়ে গা এঙামূৰী দি মাতি থৈ গ'ল ফাগুনৰ ৰিব ৰিব মলয়া জাক। মলয়াৰ গাত ভেজা দি সোমাই আহিল চ'ত। চ'তৰ খৰাঙত তৃষ্ণাতুৰ পানী পিয়া চৰাই জনীৰ আকুল বিননি। কুলিৰ কুঁ-কুঁ গীত, কেতেকীজনীৰ "মই কেতেকী" অহাৰ জাননীৰ লগতে ঢুলীয়া ককাইৰ ধিনদাও-ধিনদাও ঢোলৰ চাবত নাচনীৰ ৰঙালী আখৰত বহাগীৰ আগমন মনৰ এই উগুল থুগুল ভাৱতে হাতত কলম তুলি ল'লে। ৰঙালীৰ আনন্দত প্ৰথমতেই মনলৈ আহিল এফাঁকি বিহু গীত-

দে ঢেঁকী দে ঢেঁকী দে, ঢেঁকীতে
ঐ নাচনী
হাতত কুলাচালনী, নচুৱাই ঐ
থাকিবৰ মন
ন-নচুৱাই থাকোতে, প-পলুৱাই
নিনিবা
ভ-ভৰিব লাগিব ধন।

বহাগ মাহ অহাৰ লগে লগে এই বিহু নাম ফাঁকিৰ লগত সাঙোৰ খাই থকা আমাৰ পুৰণি বাপতি



সাহোন ঢেঁকীটোলৈ বৰকৈ মনত পৰিছে। ঢেঁকীটো সৰগৰ নাৰদমুনিৰো বাহন বুলি কোৱা হয়। এই ঢেকীটোতে উঠি নাৰদ মুনিয়ে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডৰ খবৰ ৰাখে। আজি আমাৰ কন কন শিশুহঁতক ঢেঁকীৰ বিষয়ে সাধু কব লগা হৈছে। বিশেষকৈ নগৰীয়া শিশুহঁতক। বহুতো গাওঁ অঞ্চলৰ পৰাও এই আপুৰুগীয়া সম্পদ বিধ ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰিছে। আগতে বিহুৰ ১০-১৫ দিনৰ আগৰ পৰাই গাঁৱৰ জীয়ৰী বোৱাৰীহঁত লগ হৈ ইঘৰ সিঘৰত গোট খাই চিৰা পিঠা খুন্দাৰ আনন্দটোৰেই বেলেগ আছিল। ঢেঁকী দিয়াৰ গৰপ গৰপ শব্দ, কুলা চালনীৰ চটৰ চটৰ শব্দ, চিৰা, মুৰী, সান্দহৰ গোন্ধ গাভৰুহঁতৰ হাঁহিৰ খিলখিলনিয়ে গোটেই ঘৰখন ৰজন জনাই থাকে। আজি ইঘৰত কালি সিঘৰত কৰি বিহুৰ জা-জলপান, খুন্দা হয়। তাৰ উপৰি বিয়া সবাহ উৎসৱ পাৰ্বন আদিতটো কথাই নাই। সেইয়া আমোদেই বেলেগ।

আমি সৰু থাকোতে গাঁৱৰ ঘৰত মাঘবিহু আহিলেই মা-আইতাহঁতে পুৱতি নিশাই গা-পা ধুই ৰাতি পুৱালৈ ১ ডোন মান ধাপৰ চিৰা খুন্দি শেষ কৰে। তাৰোপৰি

# মাছলেণ্টিছা

কেইবাটাও বোমৰ ভয়ংকৰ আক্ৰমণত বিমান বন্দৰৰ সমীপৰ অট্টালিকাবোৰ এটা এটাকৈ বাগৰি পৰিল। চৌপাশে চিঞৰ, ৰক্তাক্ত পৰিবেশ । নিজ দেশৰ সেনাই ছত্ৰভংগ দিবলৈ বাধ্য হৈ পৰিছিল। চহৰৰ মেয়ৰে আগ্ৰসী সেনা বাহিনীৰ নিৰ্দেশ মানিবলৈ জনসাধাৰণক আহ্বান জনাইছে যাতে নিৰপৰাধী জনসাধাৰণে চহৰ পৰিত্যাগ কৰিব পাৰে।

'চহৰখনৰ জনসাধাৰণক নিৰাপদ স্থানলৈ যোৱাৰ সুবিধা দিবলৈ আন্তঃৰাষ্ট্ৰীয় আহ্বান উপেক্ষা কৰাৰ বাবে বহু নিৰপৰাধীৰ মৃত্যু হ'ল। আলোচনা আক্ৰমণ সমান্তৰালভাৱে চলাবলৈ সাহস পালে কেনেকৈ? ভিটালী আৰু তাইৰ কন্যাৰ মৃত্যুৰ বাবে সিহঁত দায়ী? -ওলাগোৱে স্বগতোক্তি কৰি উঠে ।

ফিৰফিৰীয়া বতাহজাকে সৰ্বশৰীৰ কঁপাই তোলে। তাই খিৰিকীখন বন্ধ কৰি দিয়ে।চহৰখনৰ চৌপাশে এইকেইদিন নিশাৰ ভাগত প্ৰচণ্ড বৰফ পৰিছে। নিশা বৰফৰ শীতলতাৰ বাবে আৰু দিনত শত্ৰু পক্ষৰ আক্ৰমণত বিধ্বস্ত হৈ পৰিছে জনজীৱন ।

হঠাৎ ওলাগাৰ ম'বাইল ফোন বাজি উঠে। ছাৰ্গেৰ ফোন। ওলাগাৰ স্বামী ছাৰ্গে সেনা বাহিনীৰ কামাণ্ডাৰ। যোৱা কেইবাদিনো ধৰি শত্ৰু বাহিনীৰ বিৰুদ্ধে মাৰিঅ'পুলত ছাৰ্গেই প্ৰবল প্ৰতিৰোধ গঢ়ি তুলিছে।

হেল্ল'।- ছাৰ্গেৰ কমাণ্ডিং সুৰ। 'তাত অৱস্থা এতিয়া কেনেকুৱা?'- ওলাগাই স্বাভাৱিকতে সুধিলে।

'শত্ৰু পক্ষৰ সেনাৰ বিৰুদ্ধে আমি তীব্ৰ প্ৰতিৰোধ গঢ়ি তুলিছো। এই তিনি দিনত সিহঁতৰ চাৰিশৰো অধিক সেনাৰ মৃত্যু হৈছে। ইচ্ছা কৰিলে আমি ৰাস্তাত মাইন পুতি থ'ব পাৰিলোহেঁতেন । তেনে কাম আমি নকৰো। বীৰৰ দৰে যুঁজিছো ।'

'আমাৰ সেনাৰ জানো মৃত্যু হোৱা নাই ?'

'যুদ্ধত মৃত্যু থাকিবই । আমাৰো কিছু সৈন্যৰ মৃত্যু হৈছে। কিন্তু শত্ৰুৰ বিৰুদ্ধে আমি সৰ্বশক্তিৰে যুঁজ দি আছো। কালি আমি এক ভয়ংকৰ যুঁজ দিম।আগ্ৰসী সেনাৰ ওপৰত মিচাইলেৰে আক্ৰমণ চলাম । নেতৃত্ব মোৰ ওপৰতে অৰ্পিত হৈছে।'

ভিটালীয়ে প্ৰসমগটো সলনি কৰি ক'লে -'শত্ৰু পক্ষৰ আক্ৰমণত ভিটালী আৰু কণমানি ছোৱালীজনীৰ মৃত্যু হৈছে ।'

খন্তেক সময় ছাৰ্গে মৌন হৈ থাকিল । মৌনতা ভংগ কৰিবলৈ ওলাগাই ক'লে-'তাইৰ সৈতে যেন মাছলেণ্টিছ উৎসৱটো একেলগে কটোৱাৰ কথা আছিল । সেয়া সম্ভৱ হৈ নুথিল। এখন যুদ্ধই সকলো শেষ কৰি দিলে।'

'এই কেইদিন এনে বহু মৃত্যু দেখিছো। দুখ লাগিছে। কিন্তু এই সময়ত মৃত্যু জিনি দেশক ৰক্ষা কৰাটো কৰ্তব্য আৰু দ্বায়িত্ব হৈ পৰিছে।' বুলি কৈয়ে ছাৰ্গেৰ ম'বাইল ফোনৰ সমযোগ বিচ্ছিন্নি কৰি দিয়ে ।

ওলাগাই চুলিখিনি ভালকৈ বান্ধি ল'লে। লাহে লাহে তাই বন্দুকটো হাতত তুলি ল'লে। শীতোষ্ণ হাতখনলৈ যেন এক উত্তাপ প্ৰবাহিত হৈ পৰে। তাই ঘৰৰ সমীপৰ পাহাৰখনলৈ গৈ যোৱা চাৰিদিন বন্দুকটো লৈ গৈ অনুশীলন কৰিছে। তাইৰ সেই বন্দুকৰ শব্দ ক'ৰবাত যেন প্ৰতি আক্ৰমণৰ সোঁতত বিলীন হৈ যায়।

তাই ঘৰৰ বাহিৰলৈ ওলাই আহি দেখে আন এখন বিমান ভূপতিত হৈ পৰিছে। জুই আৰু ধোঁৱৰ কুণ্ডলীয়ে আৱৰি ধৰিছে আকাশ। তাই জঁপিয়াই উঠে শত্ৰু পক্ষৰ আন এখন বিমান ধ্বংস হোৱা দেখি। হাতত থকা বন্দুকটো লৈ তাই আকাশলৈ দুই জাঁই গুলী চলালে।

আজি তাই পাহাৰলৈ নগ'ল । ক্ষিপ্ৰ গতিত ৰাস্তালৈ ওলাই আহিল। যোৱাচাৰিদিনেই তাই ৰাজপথলৈ অহা নাই। খুউব মুকলি মুকলি লাগিল। কেইবাজনো দেশীয় সৈন্য দৌৰী গৈছে । তাৰ পিচত সিহঁতে পাহাৰখন বগাবলৈ আৰম্ভ কৰিলে। এটা সময়ত বৃহৎ শিল দুটাৰ পিচফালে অৱস্থান লৈ গুলিয়াবৈ আৰম্ভ কৰিলে। ওলাগাই বুজি উঠিল যে বিপৰীত পক্ষৰ সৈন্য আগুৱাই অহিছে। হয়তো খন্তেক সময়ৰ পিচত কাৰোবাৰ নিথৰ দেহ পৰি ৰ'ব পাহাৰৰ দাঁতিত ।

তাই বন্দুকটো লৈ উৰ্ধ্বশ্বাসে পাহাৰখনৰ ফালে দৌৰিবলৈ আৰম্ভ কৰিলে।

# আমাৰ আপোন বিহু

কৰিছিলো। পিছলৈ ডাঙৰ হৈ আমি গম পাইছিলো সেয়া পৰ্ব আছিল গৰু বিহু উপলক্ষেহে। ভৰালত সোমোৱা ন চাউলৰে বনোৱা পিঠা পনা বনাই ইষ্ট কুতুম্বক আদৰ সাদৰেৰে খুউৱা পৰ্ববোৰ আছিল ভোগালী বিহুৰ অন্তৰ্গত।

কামৰূপ গ্ৰাম্য জিলাৰ অন্তৰ্গত শৰাইঘাটা গাঁৱত থকা শ্ৰদ্ধাৰ তৰা নাথ নামৰ তাৰৈ গৰাকীৰ ঘৰলৈ যোৱাতো আমাৰ ভোগালী বিহুৰ এক পৰম্পৰা আছিল বুলি ক'লে ভুল কোৱা নহ'ব। তাৰৈয়ো আহিছিল আমাৰ ঘৰলৈ চুঙা পিঠা লৈ। ভোগালী বিহুৰ দিনত দৰং জিলাৰ উজনি বাঁহগড়াৰ আমাৰ ডাঙৰ পেহা মৰহুম চাদুল্লা মুন্সী আৰু ককা দেউতা মৰহুম উজিৰ আলি মুন্সীয়ে কলগছত চুঙা পিঠা পোৰা দৃশ্য আজিও বাৰুকৈয়ে মনত আছে। তামোল, নাৰিকল, কঠাল আদি ফলৰ গছত ধানখেৰৰ ৰছীৰে বান্ধ দিয়া, কচু পাত ৰাতি বান্ধি থৈ পুৱা পানী জমা হৈ আছে নে নাই চোৱা এই বোৰ প্ৰথা সম্প্ৰতি অসমীয়া মানুহৰ ঘৰত আছে নে নাই সন্দেহ আছে।

সময়ৰ আহ্বানত অইন জনগোষ্ঠীৰ উৎসৱ পাৰ্বনত পৰিবৰ্তন অহাৰ দৰে অসমৰ উৎসৱ পাৰ্বনটো পৰিবৰ্তন আহিল। পথাৰৰ যুৱীয়া আঁহতৰ তলৰ পৰা বিহু আহি অত্যাধুনিক মঞ্চত উঠিলহি। কিছু দশকৰ পিছত হয়তু চুঙা পিঠা বুলি ক'লে অসমীয়া শিশুবোৰে বুজি নাপাব। সম্প্ৰতি ভকা পিঠা খাবলৈ হ'লে নগৰ, চহৰৰ হোটেললৈ যাব লগা পৰিস্থিতি ইতিমধ্যে আহি গৈছে। ট্ৰেক্টৰে লৈছে গৰু ম'হৰ হালৰ স্থান। হাল, মৈ, যুঁৱলি পাইছেগৈ সংগ্ৰাহালয়ৰ গৃহ। অৱশ্যে এয়া সময়ৰ আহ্বান। কিন্তু অসমৰ জনজীৱনত সমস্যা হৈছে আন এটি কাৰণতহে। সেয়া হৈছে অসমত এতিয়া হঠাৎ জনপ্ৰিয় হোৱাৰ বাবে নিত্য নতুন কাৰচাজিৰ আশ্ৰয় লৈ আছে এচামে। এই মঞ্চখনিত প্ৰতিষ্ঠিত ৰাজনীতিক আৰু ৰাজনীতিত যোগদান কৰিব বিচাৰি উপায়ৰ সন্ধানত থকা সকলৰ বাৰুকৈয়ে ঠেলা হেচা হোৱা পৰিলক্ষিত হৈছে। তেওলোকৰ কিছুমানে জাতীয় সংস্কৃতিক বাচি লৈ ধৰ্মৰ লগত সংপৃক্ত কৰিছে, কিছুমানে জাতীয় উৎসৱক সংপৃক্ত কৰিছে ধৰ্মৰ লগত। মুকলি মুৰীয়াকৈ সাধাৰণ জনতাই অজীৰ্ণতাত ভোগা মন্তব্য কৰিবলৈকো কুণ্ঠাবোধ কৰা নাই। অতি সম্প্ৰতি এগৰাকী মন্ত্ৰীয়ে মন্তব্য কৰিছে যে বিহু হিন্দুৰহে জাতীয় উৎসৱ, মুছলমান সকল অতিথি হৈহে আছে। কি নাভূত নাশ্ৰুত বক্তব্য। ৰাইজৰ প্ৰতিনিধি হৈ উন্নয়নৰ কথাতকৈ এনে ধৰণৰ মূল্যবোধহীন কথাৰে জনতাক বিভ্ৰান্ত কৰি ৰখাৰ প্ৰয়াসৰহে আখৰাত ব্যস্ত এই সকল।

সম্প্ৰতি উন্নয়ণৰ প্ৰতিশ্ৰুতিৰে জনপ্ৰতিনিধি হোৱা সকলে ভবিষ্যতে নিজকে ৰাজনীতিত টিকি থাকিবলৈ ধৰ্মক টাৰ্গেট কৰি লোৱা বিষয়টি উত্তৰ প্ৰজন্মৰ ক্ষেত্ৰত ভয়াবহ হৈ পৰিব বুলি নিশ্চয়কৈ উল্লেখ কৰিব পাৰি।ৰাজনৈতিক নেতা সকলৰ উন্নয়ণ বিমুখীতাক ঢাকি ৰাখিবলৈ সাম্প্ৰদায়িক ভাবে জন সাধাৰণক মোহাচন্ন কৰি ৰাখি অসমৰ শান্তি, সম্প্ৰীতি আৰু সমন্বয়ক সোঁৱৰণিৰ অটল গহ্বৰলৈ নিক্ষেপ কৰিবলৈ বিচাৰিছে। বিহুক হিন্দুত্ববাদৰ ৰং সানিব বিচৰা সকল কিন্তু কেৱল অসমৰ মুছলমান সকলৰেই শত্ৰু নহয়, তেওঁলোক অসমৰ জাতীয় জীৱনৰ শত্ৰু হিচাপে পৃথিবী ধ্বংশ নোহোৱালৈ চিহ্নিত হৈ থাকিব। ৰাজনৈতিক ভাবে লাভ কৰা ক্ষমতাৰ বলে কাকো চিৰদিন বলীয়ান কৰি ৰখা অসম কিয় সমগ্ৰ পৃথিবীত নজিৰ নাই। ক্ষমতাৰ ৰাগীয়ে মুৰত ধৰা সকলে আকৌ এবাৰ গুৰুত্ব সহকাৰে চিন্তা কৰিলে তেওলোকৰ নিজৰ লগতে সাধাৰণ জনতাৰ পৰম উপকাৰ হ'ব।

# ৰামধেনু

ৰাজলক্ষ্মী বৰঠাকুৰ
দেৱৰাজ ৰয় মহাবিদ্যালয় গোলাঘাট



সাতৰঙেৰে বোলোৱা ৰামধেনু
নীলিম আকাশত উজলি উঠা
ঘোৰ অমানিশা আঁতৰাই,
চৌদিশ পোহৰেৰে উপচাই দিয়া
তুমি যেতিয়া নিঃ সংগতাক সাবটিবা
মই শব্দ হৈ পৰশিম...
তোমাৰ উমাল বুকুত
নৱবৰ্ষৰ শুভ লগনত যাচিলোঁ তোমাক
হিয়াৰ একাঁজলি মৰমও শুভকামনা ।

# তোমাৰ বাবেই


মৃগাংক বৰুৱা



তোমাৰ বাবেই কেতিয়াবা
এমুঠি জোনাক হৈছোঁ
তোমাৰ কথা ভাবিয়েই
ৰিমঝিম বৰষুণত ভিজিছোঁ
তোমাৰ বাবেই নীৰৱে
নীলা আখৰৰ চিঠি লিখিছোঁ
তোমাৰ কথাবোৰেৰেই
কেতিয়াবা ব্যস্ত ৰাজপথ হৈছোঁ
ভাল পাওঁ বুলি কবা এদিন
অধিৰ অপেক্ষাৰে ৰৈছোঁ
তুমি আকৌ সুধিছা
মই কাৰ কথা কৈছোঁ...

# ৰেখা লেখ (line graph)

বন্দিতা শৰ্মা কন্দলি দেৰগাঁও




ৰেখা লেখ হৈছে সময়ৰ সৈতে সলনি হোৱা তথ্য দেখুৱাবলৈ ব্যৱহৃত এক প্ৰকাৰৰ তালিকা। নিৰ্দ্দিষ্ট সময়ৰ মূৰে মূৰে হোৱা তথ্যৰ পৰিবৰ্তন সহজে বুজিবলৈ ৰেখা লেখৰ ব্যৱহাৰ কৰা হয়।লেখ কাগজত এটা অক্ষৰে সময় আৰু আনটো অক্ষৰে অনুৰূপ তথ্য চিহ্নিত কৰা হয়। আমি সৰল ৰেখাৰ দ্বাৰা বিন্দুবোৰ একাদিক্ৰমে সংলগ্ন কৰি ৰেখা লেখ পাব পাৰোঁ। ৰেখা লেখত দুডাল দণ্ড বা অক্ষ থাকে যাক x- অক্ষ আৰু y - অক্ষ বুলি কোৱা হয়। ৰেখালেখ লেখ কাগজত বা গ্ৰাফ বহীত অংকন কৰা হয়। ৰেখা লেখ অংকন কৰিবলৈ লেখ কাগজত আনুভূমিক আৰু উলম্ব ভাবে দণ্ড দুডাল ল'ব লাগে। তদুপৰি তথ্য উপস্থাপনৰ সময়ত আন স্তম্ভ লেখ বা দণ্ড লেখ ৰ দৰেই ইয়াতো প্ৰয়োজন আৰু সুবিধা অনুসৰি দুয়োডাল অক্ষত উপযুক্ত একক ধৰি লোৱা হয়। তথ্য বোৰৰ সাংখিক মান উলম্ব দণ্ডত আৰু বিষয়বস্তুৰ মান আনুভূমিক দণ্ডত বহুৱা হয়। শেষত উপস্থাপন কৰা বিন্দু বোৰক সংযোগ কৰি পোৱা লেখ ডালেই হৈছে ৰেখা লেখ।

বৈৰিখিক লেখ (linear graph): ৰৈখিক মানে পোন, একে দিশত গতি কৰা বা দিশৰ সালসলনি নকৰা। গাণিতিক ভাষাত আমি ক'ব পাৰোঁ ৰৈখিক লেখ হৈছে লেখ কাগজ বা চক কাগজত অঁকা এক সৰল ৰেখাৰ নক্সা যি দুই বা ততোধিক পৰিমাণৰ মাজত সংযোগ বা সম্পৰ্ক দেখুৱায়। চক কাগজ হৈছে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ বৰ্গৰ এখন কাৰ্টেজীয় সমতল। কোনো এটা বিন্দুৰ সঠিক অৱস্থান নিৰ্ণয় কৰিবৰ বাবে দুডাল নিৰ্দেশক ৰেখাৰ প্ৰয়োজন হয়। লেখ কাগজত প্ৰয়োজন আৰু সুবিধা অনুসৰি X- অক্ষ আৰু Y- অক্ষ দুডাল ৰেখা লম্বভাৱে অংকন কৰা হয়। এই দুয়োডাল অক্ষ প্ৰকৃততে দুডাল সংখ্যাৰেখা। দুই অক্ষই কটাকটি কৰা বিন্দু ক মূল বিন্দু (O, O) বোলা হয়। মূল বিন্দু ৰ সাপেক্ষে নিৰ্ধাৰিত বা প্ৰয়োজনীয় বিন্দুবোৰ বহুওৱা হয়। লগতে তথ্যৰ মানৰ ওপৰত ভিত্তি কৰি লেখ কাগজখনৰ আকাৰ অনুসৰি এককবোৰ নিৰ্ধাৰণ কৰি লোৱা হয়। ১৭ শতিকাত ফৰাচী দাৰ্শনিক তথা গণিতজ্ঞ ৰেণে ডেকৰ্টিজে পোন প্ৰথমে এখন সমতল ভূমিত থকা কোনো এটা বিন্দুৰ অৱস্থান নিৰ্ণয় কৰা পদ্ধতিটো ব্যৱহাৰ কৰিছিল। সেয়ে এই পদ্ধতি টোক কাৰ্টেজীয় স্থানাংক পদ্ধতি নাম দিয়া হয়। কাৰ্টেজীয় পদ্ধতিত X আৰু Y অক্ষই সমতল খনক চাৰিটা ভাগত বিভক্ত কৰে। প্ৰতিটো ভাগক 'চোক' বুলি কোৱা হয়।

ৰেখা লেখ লগত তুলনা কৰিলে দেখা যায় ৰেখা লেখত কিছুমান ৰেখাখণ্ড সংযোগ হৈ থাকে। কেতিয়াবা এই লেখ ডাল সম্পূৰ্ণ অবিচ্ছিন্ন ৰেখাও হ'ব পাৰে, এনে ধৰণৰ অবিচ্ছিন্ন ৰেখা লেখকে ৰৈখিক লেখ বোলা হয়। ৰৈখিক লেখৰ সহায়ত এটা বিন্দুৰ অৱস্থান অতি সহজতে নিৰ্ণয় কৰিব পাৰি।

# গন্ধৰ্ববিৱাহ

অঞ্জুমণি শইকীয়া যোৰহাট



আমাৰ ঘৰখনত মুঠ পাঁচোটা প্ৰাণী । মা-দেউতা, এজন দাদা, এজনী বা আৰু মই । বা'ৰ বিয়াৰ চাৰিবছৰৰ পিছত ফেচবুকত চিনাকি এজন ল'ৰাই মোৰ মতামত লৈ আমাৰ ঘৰত বিৱাহৰ প্ৰস্তাৱ দিলেহি । দুয়োখন ঘৰৰ মাজত বিয়াৰ কথাবতৰা খাটাং কৰি দুমাহ অহাযোৱা হ'ল। এদিন হঠাৎ ল'ৰা ঘৰৰ পৰা খবৰ আহিল- ল'ৰাই অন্য ছোৱালী পলুৱাই আনিলে। মিতিৰ কুটুম্ব, চুবুৰীয়াৰ আগত লাজত ওলাব নোৱৰা হ'লো। কেইমাহমানৰ পিছত আকৌ অন্য এজন ল'ৰাৰ পৰা খবৰ আহিল। এমাহ অহা যোৱা কৰাৰ পিছত খবৰ আহিল "লৰাই এতিয়া বিয়া নাপাতে । ইচ্ছা হ'লে বেলেগলৈ ছোৱালী দিব পাৰে।" বিয়াতকৈ মোৰ বদনামহে বেছি হ'ল। বিয়া ভগাৰ কেনাটো দেৰিকৈ হ'লেও জানি মনে মনে নিজেই সিদ্ধান্ত ললো। কেইমাহমানৰ পিছত আকৌ ল'ৰা এজন আহিল। এইবাৰ কাৰোবাক খবৰ দিয়াৰ পৰা বিৰত থাকিলোঁ। এসপ্তাহৰ ভিতৰত আমি দুয়োজনে আলোচনা কৰি আনুষ্ঠানিক বিয়া নোহোৱাকৈ বহাগৰ প্ৰথম দিনটোতে দুয়ো দুয়োৰে জীৱন সঙ্গী হ'লো।

# অতীতে মাতিছে

ঢেঁকীত খুন্দা চাউলৰ ভাত কেইটাও কেনে মিঠা আছিল। এতিয়া সেই দিন আৰু নাই ঢেঁকীৰ ঠাইত ডাঙৰ ডাঙৰ নামী দামী কোম্পানীৰ মেচিনবোৰে ঢেঁকীৰ ঠাই দখল কৰিলে। মানুহৰ ঘৰে ঘৰে সোমালেহি মিক্সি। সৰু সৰু ঘৰুৱা কামবোৰ মিক্সিতে চলি যায়। আনকি সত্য নাৰায়ণ পূজাৰ প্ৰসাদৰ ঘোলকনেও মিক্সিৰ সোৱাদ ল'লে। এতিয়া ঢেঁকী হলগৈ সংৰক্ষণৰ সম্পদ। লাহে লাহে গাঁও, চুক চুবুৰীৰ পৰাও গৈ আছে মিউজিয়ামত জিৰণি ল'বলৈ বয়সৰ বিয়লি বেলাত।

সেইদৰে হেৰাই গৈছে আমাৰ ঘৰ বিলাকৰ পৰাও বতা। পাৰ মাংস বনাওঁতে দিবলৈ মিহিকৈ জালুক জিৰাকন বতা। ছজিনা ভাজিকনত দিবলৈ সৰিয়হকন বতা সেই পতা আৰু পতাগুটি জোৰ। পতাত বতা মছলা কনৰ গোন্ধটোৰেই বেলেগ নহয়নে বাৰু? বৰ্ত্তমান বিজ্ঞানৰ অগ্ৰগতিত অতীত হেৰাই গৈছে দিনে দিনে নতুনৰ আৱিস্কাৰে পুৰণিক বিদায় দিছে একেদৰেই হেৰাই গ'ল আমি সৰুতে দেখা ব্যৱহাৰ কৰা সেই চিয়াহিৰ দোৱাত আৰু পাখি কাপযোৰ। এইয়া মাত্ৰ কেইটিমান উদাহৰণ। এতিয়া ল'ৰা ছোৱালীয়ে পাখিকাপ কি চিনি নাপাই। আমাক ভুল ধৰে। পাখিকাপ কি বস্তু ভুলকৈ কৈছো। পাখিকাপ নহয় কফি কাপহে। নেদেখিলে দুয়োটা বস্তুৰে পাৰ্থক্য ক'ত বুজি পাব। এইদৰেই হেৰাই গৈছে আমাৰ বহু অতীত। এতিয়া এটাই কথা ভাবো যে, যাৰ ঘৰত এই পুৰণি বস্তু কেইবিধ এলাগি হৈচুকত পৰি আছে। তাক নষ্ট হবলৈ নিদি পুৰণি স্মৃতি-চিহ্ন হিচাবে যেন ভৱিষ্যত প্ৰজন্মৰ বাবে সংৰক্ষণ কৰি ৰাখে এই আশাত ৰলো।

## স্বদেশ

জয়ন্ত শৰ্মা



দিহিঙে দিপাঙে, অৰঙে দৰঙে  
বহু দেশ ফুৰিলো,  
একে আকাশ একেই বতাহ  
'স্বদেশ' ক'তো নেপালো ।  
নৈ পৰীয়া লুংলুঙীয়া বাটেৰে গৈ  
নলৰ গজালিত উজুতি খোৱাৰ সুখ,  
বা বিৰিণা বনৰ গেজেপনিত সপোনক  
এৰি অহাৰ দুখ,  
জাৰনিৰ আৱালত কোনো গোপন পথে  
বৈ অহা জলধাৰাত আত্মবিভোৰ  
হোৱাৰ মাদকতা,  
কিম্বা ভূমিক সাৰতি অনুভৱ কৰা  
'নিজে হেৰাই যোৱাৰ সাৰ্থকতা';  
মোৰ বাবে এয়েই স্বদেশ  
যাৰ বাবে প্ৰাণ দিয়াৰ নেলাগে আদেশ।  
বুকুৰ মাজত মই কঢ়িয়াওঁ  
ভোগজৰা চেনেহ সঁফুৰা  
হৈ অনভৰি চ'তৰ মহুৰা  
এয়ে মোৰ স্বদেশ বতৰা।  
মোৰ স্বাভিমাণী স্বদেশত ভৰি থাকে মনোবল  
শেষ চ'তৰ যেন ঢেঁকীৰ কটৰা,  
বুকুত ওলমি থাকে লোমালোম আশাৰ বতৰা ;  
ছাব্বিশ অপ্সৰাৰ লৌকিকা ৰূপৰ সমাবেশ  
একত্ৰিত ত্ৰিভুবন, দলদোপ মোৰেই স্বদেশ।  
বাৰীৰ ঢাপত ফুলে পলাশ, শিমলু  
উদং সুঠাম ভৰি-ধুলিয়ৰী পদুলীত  
উৰুৱাই ফাগুনৰ ধুলি  
বসন্তক নচুৱাম বুলি ।

# ১ম বাৰ্ষিক অভিনৱ বৰা সোঁৱৰণী নগাঁওঁ প্ৰিমিয়াৰ লীগৰ সফল আৰম্ভণি



ৰঙিলী বাৰ্ত্তাসেৱা- সদ্য গঠিত নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ উদ্যোগত যোৱা ২৮ এপ্ৰিলৰ পৰা নগাঁও নুৰুল আমিন ষ্টেডিয়ামত ৰম বাৰ্ষিক অভিনৱ বৰা সোঁৱৰণী নগাঁও প্ৰিমিয়াৰ লীগৰ আৰম্ভণি হৈছে। ২৮এপ্ৰিল, বৃহস্পতি বাৰে পুৱা নগাঁও ক্ৰীড়া সংস্থাৰ খেলপথাৰত নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ হৈ সভাপতি অৰ্পণ দাসে পতাকা উত্তোলন কৰে। দেৱাশীষ গোস্বামী আৰু মৃণাল হাজৰিকাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাঁও সদৰ সমষ্টিৰ বিধায়ক মাননীয় ৰূপক শৰ্মা দেৱ আৰু লগতে নগাঁও জিলাৰ নৱনিযুক্ত আৰক্ষী অধিক্ষক লীনা দলে মহোদয়া। পতাকা উত্তোলনৰ পিছত অভিনৱ বৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলনেৰে আন্তৰিক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে তেখেতৰ পত্নী কবিতা বৰা তথা পৰিয়ালবৰ্গ, বিশিষ্ট অতিথিদ্বয়ৰ লগতে নগাঁও ক্ৰিকেটাৰ্ছ ক্লাব তথা উপস্থিত সকলো গণ্য মান্য ব্যক্তিয়ে। বিশিষ্ট অতিথিদ্বয়ৰ লগতে অভিনৱ বৰাৰ পত্নী কবিতা বৰাই স্বৰ্গীয় অভিনৱ বৰাৰ কৰ্মৰাজী তথা নগাঁও ক্ৰিকেটলৈ তেখেতে আগবঢ়োৱা বিভিন্ন অৱদানৰ ওপৰত চমু আলোকপাত কৰে। নগাঁও প্ৰিমিয়াৰ লীগৰ শুভাৰম্ভনিৰ সুযোগতে বহুতো পুৰণি ক্ৰিকেট খেলুৱৈ, বিভিন্ন ক্ৰীড়া সংগঠক, নগাঁও প্ৰিমিয়াৰ লীগৰ বিভিন্ন স্পনছৰ সকলক একোখনি ফুলাম গমোচাৰে সম্বৰ্ধনা জনোৱাৰ সুবৰ্ণ সুযোগ কণ নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ সদস্য সকলে এৰি নিদিলে। তাৰ পাছতে বিশিষ্ট অতিথিদ্বয় তথা অভিনৱ বৰাৰ পত্নীয়ে উদ্বোধনী খেলৰ খেলুৱৈ সকলৰ সৈতে পৰিচয় হয় আৰু মাননীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়াই হাতত বেটলৈ টুৰ্ণামেণ্ট খনৰ শুভাৰম্ভ ঘটে বুলি ঘোষণা কৰে। একান্তই উল্লেখযোগ্য যে নগাঁও ক্ৰিকেট তথা নগাঁও ক্ৰীড়া জগতৰ লগত ওতঃপ্ৰোত ভাবে জড়িত নবীন কলোৱাৰ, দেৱজিত দাস, দেৱজ্যোতি গোস্বামী আৰু লোকজিত গোস্বামীৰ মূল চিন্তা তথা প্ৰচেষ্টাৰ ফলত মুঠ প্ৰায় ২২জন মান সদস্যেৰে সদ্য গঠিত নগাঁও ক্ৰিকেটাৰ্ছ ক্লাব হ'ল বিভিন্ন ন-পুৰণি ক্ৰিকেট খেলুৱৈৰ সমাহাৰ আৰু মূল লক্ষ্য হ'ল উদীয়মান ক্ৰিকেটাৰ সকলক সৰ্বতোপকাৰে সফলতাৰ দিশত আগুৱাই নিয়া। সেয়েহে নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবে সকলো ক্ৰীড়া প্ৰেমী তথা সুহৃদ ৰাইজৰ সদা সহযোগিতা তথা আশীৰ্বাদ একান্তই কামনা কৰিছে। উল্লেখযোগ্য যে উদ্বোধনী খেলখনত প্ৰতিদ্বন্দিতা আগবঢ়াইছিল ক্ৰমে কামপুৰ লায়নছ আৰু পানীগাঁও পেন্থাৰ্ছে। উক্ত খেলখনত কামপুৰ লায়নছে ৮১ ৰাণত জয়লাভ কৰে। কামপুৰ লায়নছৰ বিজয়ত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা ধীৰাজ গোস্বামীৰ অপৰাজিত ৬৪ ৰাণ তথা দুটা উইকেট দখলেৰে মন অব দ্য মেটছ বিবেচিত হয়। পুৰণিগুদাম গোঁসাই গাঁও নিবাসী নিতুমনি গোস্বামীয়ে তেখেতৰ স্বৰ্গগত পিতৃ বিৰেণ গোস্বামীৰ সোঁৱৰণত মেন অব দ্য মেটছ ট্ৰফীটো প্ৰদান কৰে। আগদিনা অৰ্থাৎ ২৭ এপ্ৰিলৰ নিশা অহা বতাহ ধুমুহাই বিস্তৰ ক্ষতি সাধন কৰাৰ পৰিপ্ৰেক্ষিতত নিৰ্ধাৰিত সময়তকৈ কিছু পলমকৈ অনুষ্ঠান আৰম্ভ কৰিব লগীয়া হোৱাৰ বাবে উদ্যোক্তা নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবে দুখ প্ৰকাশ কৰিছে। যোৱাকালি অৰ্থাৎ ২৯ এপ্ৰিল শুক্ৰবাৰে হোৱা দুখন খেলত ক্ৰমে আমোলপট্টি চুপাৰ জায়েন্টছে হয়বৰগাওঁ সলাসৰ ষ্টাৰক তীব্ৰপ্ৰতিদ্বন্দিতা মূলক খেলত মাত্ৰ ৩ ৰানত পৰাস্ত কৰে। দিনতোৰ দ্বিতীয় খন খেলত ডিফলু ডেয়াৰ ডেভিলছে পলি টাইটানচক ছ উইকেটত পৰাস্ত কৰে। উল্লেখযোগ্য যে যোৱাকালিৰ প্ৰথম খন খেলত মেন অব দা মেটছ ৰূপে বিবেচিত ৰাজ আগৰৱালাক তেজপুৰ নিবাসী তথা মহিন্দ্ৰা এণ্ড মহিন্দ্ৰাৰ অথৰাইজড ডিলাৰ মহাভৈৰৱ অট এল এল পিৰ ছেলছ মেনেজাৰ ক্ষীৰোদ দাসে তেখেতৰ স্বৰ্গগত পিতৃ দেবেন চন্দ্ৰ দাসৰ সোঁৱৰণত মেন অব দ্য মেটছ ট্ৰফীটো প্ৰদান কৰে। দিনটোৰ দ্বিতীয় খন খেলত ডিফলু ডেয়াৰডেভিলছৰ অনুপম হাজৰিকাই ইলি গোস্বামী সোঁৱৰণী মেন অব দ্য মেটছ ট্ৰফী লাভ কৰে। যোৰহাটৰ নেহেৰু পাৰ্ক নিবাসী শুভাশিষ গোস্বামী আৰু পৰিয়ালবৰ্গই শুভাশিষ গোস্বামীৰ স্বৰ্গগত মাতৃৰ সোঁৱৰণত উক্ত ট্ৰফীটো আগবঢ়াই। ৩০এপ্ৰিল শনিবাৰে প্ৰথমখন খেলত আলিটেঙ্গনী গেলেক্সীয়াই হয়বৰগাওঁ ছলাছৰ ষ্টাৰৰ বিপক্ষে আৰু দ্বিতীয় খন খেলত হয়বৰগাওঁ থাণ্ডাৰ্ছে পানীগাওঁ পেণ্থাৰ্ছৰ বিপক্ষে প্ৰতিদন্ধীতা আগবঢ়াব। এখন আটকধুনীয়া টুৰ্ণামেণ্ট সমূহ ক্ৰীড়া প্ৰেমী ৰাইজক উপহাৰ দিবলৈ প্ৰতিজ্ঞাবদ্ধ নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ সদস্য সকলে প্ৰতিকূল বতৰৰ পৰা পৰিত্ৰাণ বিচাৰি বৰুণ দেৱতালৈ সেৱা আগবঢ়াইছে আৰু এখন আটকধুনীয়া টুৰ্ণামেণ্টৰ সফল সমাপ্তি কামনা কৰিছে।নগাঁও ক্ৰিকেৰ্টাছ ক্লাৱে 'নগাঁও প্ৰিমিয়াৰ লীগ' টুৰ্ণামেন্ট খনলৈ আগবঢ়োৱা সমূহ ট্ৰফী দাতা, স্পনছৰ তথা বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়োৱা সকলো সুহৃদ ৰাইজক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে। টুৰ্ণামেণ্ট খনৰ অন্যতম স্পনছৰ হিচাপে ৰঙিলী বাৰ্ত্তাৰ সমূহ পৰিয়ালবৰ্গ আজি গৌৰাম্বিত।

# ENGLISH NEWS SECTION

## Vice-Chairman Ramen Deka reviews aspirational district Darrang




Guwahati, RB News: State Innovation and Transformation Aayog (SITA) Vice-Chairman Ramen Deka visited Darrang district today to review the implementation of various development schemes undertaken by the various development departments for the welfare of the people. In this regard, a meeting was held at the conference hall of the Deputy Commissioner, Darrang attended by Deputy Commissioner Pranab Kumar Sarmah , Hon'ble MP Sri Dilip Saikia of Mangaldoi HPC and MLA Dr P.Rajbongshi of Sipajhar, Sri Basanta Das, MLA of Mangaldai, Sri Mazibur Rahman, MLA of Dalgaon LAC and by all heads of development departments. All developmental departments present in the meeting presented their reports and the Hon'ble Vice- Chairman reviewed them thoroughly and gave its suggestion for strict implementation of their schemes. Hob'ble Vice-Chairman stressed to give more thrust on the indicators and also suggested to give importance to health, education and transportation. The meeting was also attended by representatives of Zilla Parishad and G.G Das, Advisor (F & A) SITA, D.S Hazari, ARO SITA, L.Joute, PRO SITA and other officials.

## Ghana Kanta Pegu sworn in as new member of APSC



Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi administered the oath of office to Ghana Kanta Pegu, ACS(Retd.) as new member of the Assam Public Service Commission(APSC) at a ceremony held in the Durbar Hall of Raj Bhavan today. Earlier, Additional Chief Secretary to the Govt. of Assam Paban Kumar Borthakur sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by Chairman of APSC Rajiv Kumar Bora, Chief Information Commissioner Samudra Gupta Kashyap, members and other office bearers of APSC, senior officers of the state government.

## Ministry of DoNER and NEC organize North East Festival ALA Speaker Biswajit Daimary inaugurates the festival at Khanapara



Guwahati, RB News: The week-long Northeast Festival was inaugurated today at the Veterinary College Ground in Khanapara. The Festival is being organized by the Ministry for Development of North Eastern Region (DoNER) and the North Eastern Council covering entire Northeast as a part of Azadi Ka Amrit Mahotsav. It will run till May 4, 2022. Assam Legislative Assembly (ALA) Speaker Biswajit Daimary inaugurated the festival today in the presence of representatives of almost all the states of the Northeast. The Sports and Youth Welfare Department of the Government of Assam acts as Nodal Department and organized the inaugural event in collaboration with the Department of Cultural Affairs and Transport, Govt of Assam. Half marathon, Cyclothon and Walkathon were organized today to mark the inauguration of the festival. The three events were flagged off by the Speaker, ALA Daimary, Retired Air Marshal and North Eastern Council's member Anjan Kumar Gogoi and Additional Chief Secretary to Govt of Assam Pawan Borthakur . Approx. 100 delegates from other north-eastern states and more than two thousands of sportspersons and sports lovers from Assam participated in these events. Extending his warm greetings to all the participants as the Chief Guest of the Inaugural Ceremony, Shri Daimary said that Azadi Ka Amrit Mahotsav is a significant initiative of the Government of India to make the people understand how far India has come while passing 75 years of independence and what are there still to be done. Stating that many players from North East including Mary Kom and Lovlina have represented the country in the international sports event, he also added that involvement in sports too helps in maintaining good health. He also expressed hope that everyone will continue to make efforts for ensuring the dignity of the country as an independent citizen of independent India. He thanked the organizers for holding the inaugural event of the festival in Assam. Earlier, Aanjan Kumar Gogoi, who was the guest of honour of the event, expressed happiness over the sporting spirits shown by the new generation to participate in the festival and welcomed and greeted everyone on behalf of the North Eastern Council and the Ministry of DoNER and wished a grand success of the festival. Colourful folk dances of Assam like Bodo, Missing, Karbi, Tiwa, Rabha, Hajong, Jhumur of Tea Community, Bihu Husari mesmerized all participated in the event. The programmes of Transport Department showcasing the road safety measures through Bihu Husari, Street Play and Mime to sensitise people were another attraction of today cultural events. Various placards were also displayed with the messages of road safety and environment protection.

## Elephant Safari and Rafting at Manas National Park to be closed from May 1



Guwahati, RB News: The Field Director of Manas Tiger Reserve has ordered the closure of the Upper Bungalow, Lower Bungalow and Dormitory at Mothanguri along with elephant safari and rafting at the Manas National Park from May 1, 2022 till further notice. This order has been issued on April 19, 2022, in compliance with the Ministry of Environment, Forest and Climate Change, Government of India, National Tiger Conservation Authority letter dated August 18, 2015. It has also been informed that due to the poor condition, some roads will remain closed for tourists from May 1, 2022, until further order. These roads are – Uchila Camp to Chorphuli camp and onwards to Mothanguri main road under Bansbari range; Range Office to Kanchanbari camp and Sewali camp to Dwimary camp roads under Bhuyanpara range; and all roads under Kahitama Beat, Panbari Range and Kuklung Range.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025
১৭ বহাগ, ১৪২৭ চন Rongili Barta, Date of Publication-- 1 May, 2022

## Beauty of the Week



Priyanki Bordoloi

## Art of the Week



Uddipon Goswami

# তিতাবৰ

নিতিষ্মান দাস
সপ্তম শ্ৰেণী



যোৰহাটৰ পৰা বিশ কিলোমিটাৰ দূৰত মোৰ মৰমৰ চহৰ,
এয়ে মোৰ আপোন আৰু জনমভূমি তিতাবৰ।
নাগালেণ্ডৰ সীমাৰ ওচৰতে এখন সেউজীয়া ঠাই,
সকলো ধৰ্ম জাতীৰ মিলন, যেন ককাই ভাই।
শৈশৱত মই ইয়াতে কৰিছিলোঁ খেল-ধেমালি,
খেলিছিলোঁ বহুতো খেল সমনীয়াৰ সৈতে হাঁহি।
পৌৰাণিক নাম আছিল হেনো বচা চহৰ,
তিতাৰামৰ বৰ গছৰ পৰা হেনো নাম হ'ল তিতাবৰ।
পাহাৰ ভৈয়াম একে কৰা এখনি মৰমৰ ঠাই,
সচাঁকৈ এনে ঠাই মই কতো দেখা নাই।
ব্ৰিটিছে তাহানিতে ৰেলৰ কৰিছিল স্থাপন,
সৰু-সৰু সন্তানেৰে আমি প্ৰতিজন।
মিহিৰাম শইকীয়া উচ্চ বিদ্যালয়, এখনি জ্ঞানৰ ঠাই,
নন্দ নাথ শইকীয়া মহাবিদ্যালয়ে জ্ঞান, আৰু বিয়পাই।
আছে অন্য বিদ্যালয় যেনে প্ৰাগজ্যোতিকা,
সকলো বিদ্যালয়ে শ্ৰেষ্ঠ আৰু দেখুৱাই প্ৰকাশ হেঙুলীয়া।
তৃতীয় অসম আৰক্ষী বাহিনীৰ আছে মুখ্য কাৰ্যলয়,
ইয়াতে আছে এখনি নবোদয় বিদ্যালয়।
ৰজাই দিছিলে ইয়াত বহুতো সাত পাম,
ইয়াতে আছে এখন মুগা পোহা ফাৰ্ম।
ইয়াতে আছে কমলাবাৰী সত্ৰখনি,
সেউজীয়া পাতেৰে চাহ বাগান থাকে হালি জালি।
কৃষি গৱেষণা কেন্দ্ৰই নাম আৰু উজ্জ্বলাই,
ধাননি পথাৰে ভৰপূৰ, মোৰ মৰমৰ ঠাই।
উলাহেৰে উৰি ফুৰে জাক-জাক চৰাই,
ওচৰতে আছে বৰহোলা নামৰ এখনি ঠাই।
তৰুণ গগৈ দেৱেও ইয়াতে লভিছিল জনম,
উজ্জ্বলালে তিতাবৰৰ নাম আৰু গঢ়িলে অসম।
আছে তিনি আলি, ন-আলি আৰু চাৰি আলি,
সবাটোতকৈ উচ্চ মোৰ জনমভূমি।
আগতকৈও তিতাবৰ উন্নত হৈছে,
শিক্ষাৰ ক্ষেত্ৰতো তিতাবৰ আগ বাঢ়িছে।
ক্ৰীড়াৰ ক্ষেত্ৰতো এখন বিশাল ষ্টেডিয়াম আছে,
বহু খেলুৱৈয়ে তিতাবৰৰ গৌৰৱ আনিছে।
দেও নামঘৰ আছে আৰু, আঠখেলীয়া নামঘৰ,
এয়ে মোৰ আপোন আৰু মৰমৰ তিতাবৰ।
তিতাবৰৰ মাজেদি গৈছে তাহানিৰে ধোদৰআলি,
ধানৰ ভঁৰাল হামলৈ আৰু বচা পথাৰখনি।
ইয়াত কোনো বস্তুৰে অভাৱ নাই,
এয়ে মোৰ আপোন আৰু মৰমৰ ঠাই।
তিতাবৰ,
তিতাবৰ।

## Photography of the Week



Bikash Bordoloi

Beauty of the Week Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286